
# অন্বেষণ

দশম বছৰ ▪ প্ৰথম সংখ্যা ▪ ফেব্ৰুৱাৰী, ২০২৩



## ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদ






## মানৱ উন্নয়ন সূচকাংক




## এম ভি গংগা বিলাস

# ৱাল্ট ডিজনী ৱৰ্ল্ডৰ কেইখনমান আলোকচিত্ৰ


















# অন্বেষণ

**দশম বছৰ, প্ৰথম সংখ্যা, ফেব্ৰুৱাৰী, ২০২৩ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay, Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust

Email : assamjatiyabidyalay@gmail.com

Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **গোলকীয় কল্যানৰ বাবে গোলকীয় বিজ্ঞান**
- অভিজিত শৰ্মা বৰুৱা

৪ **দেশ-বিদেশৰ খবৰ**
- কুশল গোস্বামী

৭ **খবৰৰ লেছেৰি বোটলা**
- কুশল গোস্বামী

৮ **অপ্ৰত্যাশিত**
- জেছমিনা পাৰবিন

৯ **মহোহো উৎসৱ**
- ময়ংক পাঠক

১১ **টেমচুলা আও**
- নিষ্ঠা বৰগোঁহাই

১২ **ভাৰতৰ প্ৰথমগৰাকী মহিলা মুখ্যমন্ত্ৰী**
- বিশাল চৌধুৰী

১৩ **বালিঘৰ**
- কস্তুৰী ভৰালী

১৩ **আকাশ**
- শ্যামলীমা পাঠক

১৪ **স্মৰণীয় সময়, স্মৰণীয় ঘটনা**
- অপৰ্ণা দেৱী

১৫ **Did You Know**
- Aparajita Dutta

১৬ **A Tale of Two Cities**
- Jyotirekha Kalita

১৭ **নিৰাপত্তা পৰিষদ**
- ৰুনুমী কলিতা

১৮ **মানসিক সামৰ্থ্য বিকাশ**
- ৰবীন্দ্ৰ বৰ্মন

২০ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

২৬ **চুড'কু**

২৭ **পেট্ৰা**
- দৰ্শনা বৰা

২৮ **কেৰিয়াৰ**
- অৰূপ কুমাৰ ডেকা

৩০ **কুইজ**
- হিৰণ্য কলিতা

৩১ **মানৱ উন্নয়ন সূচকাংক**
- প্ৰণীতা দেৱী

৩২ **এনিড ব্লাইটন**
- জ্যোতিৰূপা দাস

৩৪ **পোক-পতংগ আৰু পৰিৱেশৰ সম্পৰ্ক**
- ৰাণু বুজৰবৰুৱা

৩৬ **লন বলৰ বিষয়ে**
- মানস জ্যোতি শইকীয়া

৩৭ **কবিতাৰ মহাসমুদ্ৰৰ ঢৌ লেখি**


**সম্পাদক** : ডাঃ নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ডঃ লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : পূৰবী ৰাণী বৰা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আহি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# ২০২৩ চনৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল বিষয় 'গোলকীয় কল্যাণৰ বাবে গোলকীয় বিজ্ঞান'

**অভিজিত শৰ্মা বৰুৱা**




২৮ ফেব্ৰুৱাৰী দিনটো সমগ্ৰ ভাৰততে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে পালন কৰা হয়। এই দিনটোৰ লগত সম্পৰ্ক আছে ৰামণ পৰিঘটনাৰ। এতিয়াৰ পৰা ৮৭ বছৰ আগতে ১৯২৮ চনৰ এই ২৮ ফেব্ৰুৱাৰীৰ দিনটোতে ভাৰতীয় বিজ্ঞানী চন্দ্ৰশেখৰ ভেংকট ৰামণে, কে এছ কৃষ্ণণ নামৰ আন এজন বিজ্ঞানীৰ সৈতে লগ লাগি জুলীয়া পদাৰ্থৰ ক্ষেত্ৰত এই পৰিঘটনা আৱিষ্কাৰ কৰাৰ কথা ঘোষণা কৰিছিল। পোহৰৰ বিচ্ছুৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদানৰ বাবে, আৰু মূলতঃ এই আৱিষ্কাৰৰ বাবে, ৰামণক ১৯৩০ চনত পদাৰ্থবিজ্ঞানৰ ন'বেল বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছিল।

১৯৮৬ চনত নেছনেল কাউন্সিল ফৰ ছায়েন্স এণ্ড টেকন'লজি কমিউনিকেছনে' ভাৰত চৰকাৰক এক অনুৰোধ জনায় যে প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীৰ দিনটো 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' হিচাপে উদ্‌যাপন কৰিব লাগে। সেই চনতে ভাৰত চৰকাৰে এই প্ৰস্তাৱত অনুমোদন জনায় আৰু ১৯৮৭ চনৰ ২৮ ফেব্ৰুৱাৰীত ভাৰতত প্ৰথম ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰিবলৈ লোৱাৰ কেইবছৰমান পাছত ১৯৯৯ চনৰ পৰা প্ৰতি বছৰে এটা মূল বিষয় নিৰ্বাচন কৰি তাৰ ওপৰত চৰ্চা তথা কাম-কাজ কৰিবলৈ লোৱা হ'ল। সেই চনৰ মূল বিষয়বস্তু আছিল— 'আমাৰ পৰিবৰ্তিত পৃথিৱী' (Our Changing Earth)।

## গোলকীয় কল্যাণৰ বাবে গোলকীয় বিজ্ঞান

এই বছৰৰ (২০২৩ চন) ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল বিষয় হৈছে— 'গোলকীয় কল্যাণৰ বাবে গোলকীয় বিজ্ঞান' (Global Science for Global Wellbeing)। এতিয়া যিকোনো গোলকীয় ক্ষেত্ৰত ভাৰতৰ গুৰুত্ব যথেষ্ট বাঢ়ি আহিছে আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সেয়া স্পষ্ট হৈ পৰিছে। নতুন ৰূপৰ ভাৰতে বৰ্তমানৰ গোলকীয় প্ৰত্যাহ্বানসমূহৰ সমুখীন হ'ব পৰাকৈ নিজকে গুৰুত্বপূৰ্ণ কৰি তুলিছে। ক'ভিড-১৯ৰ প্ৰতিষেধক আৰু চিকিৎসাপদ্ধতি আৱিষ্কাৰৰ ক্ষেত্ৰত ভাৰতৰ বিজ্ঞানীসকলৰ ভূমিকা বেছ তাৎপৰ্য্যপূৰ্ণ আছিল। এই বছৰ এই বিষয়টো নিৰ্বাচন কৰাৰ আঁৰৰ অন্যতম এক কাৰক হ'ল—সৰ্বসাধাৰণ লোকেও যাতে এই কথা উপলব্ধি কৰিব পাৰে যে গোলকীয়ভাৱে আমি সকলো ভালে থাকিবলৈ হ'লে গোলকীয় বিজ্ঞান কিমান গুৰুত্বপূৰ্ণ।

গোলকীয় উষ্মীভৱনকে ধৰি গোলকীয় সমস্যাবোৰৰ সমাধান এতিয়া কেৱল কোনো দেশ বা অঞ্চলৰ ওপৰতে নিৰ্ভৰশীল হৈ থকা নাই। কোনোবা দেশে যদি অধিক পৰিমাণৰ সেউজগৃহ গেছ সৃষ্টি হ'ব পৰা, প্ৰদূষণ হ'ব পৰা, গোলকীয় উষ্মীভৱন হ'ব পৰা ধৰণৰ কাম-কাজ চলাইছে, তেন্তে তাৰ প্ৰভাৱ কোনোবা

সুদূৰৰ অঞ্চলতো পৰিছে। উদাহৰণস্বৰূপে, ছাইবেৰিয়া আৰু কুমেৰু অঞ্চলত গোলকীয় উষ্ণতা বৃদ্ধি হ'ব পৰা ধৰণৰ একো কাম-কাজ চলা নাই, কিন্তু গোলকীয় সমস্যাৰ ফলস্বৰূপে সেইবোৰ অঞ্চলতো বৰফ গলিবলৈ লৈছে আৰু এনেবোৰ ঘটনাই আমাৰ পৰিবেশলৈ ভয়াবহ ভাবুকি কঢ়িয়াই আনিছে। কাৰণ সেই গলিত বৰফ বা পানীয়ে কেইখনমান মহাসাগৰ-সাগৰ-নদীৰ জলপৃষ্ঠ বঢ়াই তুলিছে আৰু কিছুমান নগৰ-মহানগৰ-বিশাল অঞ্চল আদি স্থায়ীভাৱে পানীৰ তললৈ যোৱাৰ আশংকাৰ সৃষ্টি হৈছে। গতিকে দেখা গৈছে যে ছাইবেৰিয়া বা কুমেৰু অঞ্চলত গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে একো নকৰা সত্ত্বেও তাত ক্ৰিয়াৰ সৃষ্টি হৈছে আৰু সেই ক্ৰিয়াৰ ফলত ভাবুকিৰ সৃষ্টি হৈছে, তাৰে পৰা হাজাৰ হাজাৰ মাইল দূৰত থকা কোনো অঞ্চলত। গতিকে এতিয়া বহুতো সমস্যাই কোনো অঞ্চলৰ স্থানীয় সমস্যা হৈ থকা নাই। সমস্যাবোৰ গোলকীয়, তাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াও গোলকীয়, সেইবাবে তাৰ সমাধানো গোলকীয়ই হ'ব লাগিব।

আনহাতে এই কথাও পৰিলক্ষিত হৈছে যে যোৱা কেইটামান বছৰত ভাৰতৰ বৈজ্ঞানিক উদ্ভাৱনবোৰ গৱেষণাগাৰৰ পৰা সাধাৰণ মানুহৰ মাজত সোমাই পৰিছে। উন্নত আৰু আধুনিক বৈজ্ঞানিক আৰু প্ৰযুক্তিগত আহিলাবোৰ প্ৰায় প্ৰতিটো ঘৰৰ অন্দৰমহল আহি পাইছে আৰু তাৰ ফলত মানুহৰ জীৱন-যাপন আগতকৈ সহজ হৈ উঠিছে।

ভাৰতত বনৌষধি বা আন উৎকৃষ্ট ঔষধৰ যথেষ্ট সম্ভাৱনা আছে আৰু এই ক্ষেত্ৰত ভাৰতৰ বিভিন্ন অঞ্চল 'হট স্পট' (Hot Spot) হিচাপে পৰিগণিত হৈছে। বিজ্ঞানসন্মত পদ্ধতিৰে আমি যদি সেইবোৰ উদ্ধাৰ কৰিব পাৰোঁ, তেন্তে গোলকীয় স্বাস্থ্যৰ ক্ষেত্ৰতো ভাৰতে যথেষ্ট বৰঙণি আগ বঢ়াব পাৰিব।

ক'ভিড-১৯ৰ সময়তে দেখা গৈছিল যে ই এক ভয়াবহ গোলকীয় সমস্যা হৈ পৰিছে আৰু এই সমস্যাৰ সমাধানৰ বাবে গোলকীয় প্ৰচেষ্টা তথা বিজ্ঞানৰ কোনো বিকল্প নাই। এতিয়া ক'ভিডৰ সেই দুঃস্বপ্নৰে ভৰা দিনবোৰ নাই বা আকৌ আহিলেও তাৰ সৈতে যুঁজিবলৈ আমাৰ বৈজ্ঞানিক জ্ঞান আৰু সঁজুলি, ঔষধ-পাতি আদি আছে। ক'ভিডৰ দৰে আগতে নভবা-নিচিন্তা গোলকীয় সমস্যা পুনৰ আহিব পাৰে। গতিকে এনেবোৰ ক্ষেত্ৰত গোলকীয় বিজ্ঞানৰ প্ৰয়োজন আছে। গোলকীয় কল্যাণৰ বাবে গোলকীয় বিজ্ঞানৰ ধাৰণাটো স্পষ্ট হৈ উঠিলে এতিয়াও প্ৰভাৱ বিস্তাৰ কৰি থকা মেলেৰিয়া, SARS আদি ৰোগৰ ক্ষেত্ৰতো নিশ্চয় স্থায়ী সমাধান পোৱা যাব।

## ভাৰত জি-২০ৰ সন্মানজনক অধ্যক্ষ

গোলকীয় ক্ষেত্ৰত ভাৰতৰ প্ৰভাৱ আৰু অৰিহণাৰ বাবে ভাৰতে এইবাৰ জি-২০ৰ সন্মানজনক অধ্যক্ষৰ স্থানত আছে। অৰ্থাৎ এই ৰাষ্ট্ৰই এছিয়া, আফ্ৰিকা আৰু দক্ষিণ আমেৰিকাৰ উন্নয়নশীল দেশসমূহৰ উদ্ভাৱনশীল উন্নয়নৰ নেতৃত্বও বহন কৰিবলগীয়া হ'ব।

এই বছৰৰ বিষয়-বস্তু স্পষ্ট আৰু সফল কৰিবলৈ ভাৰতে কিছুমান নতুন ব্যৱস্থা হাতত ল'বলৈ লৈছে। তাৰ ভিতৰত আছে —

- ভাৰতৰ সকলো বৈজ্ঞানিক বিভাগৰ মাজত সমন্বয় স্থাপন কৰা, যাতে সেইবোৰে একেলগে মিলি কোনো গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কত কাম কৰি যাব পাৰে।
- বিজ্ঞান-প্ৰযুক্তি, চিকিৎসাবিজ্ঞান আৰু বিজ্ঞান-সম্পৰ্কীয় বিভাগৰ মাজত সম্পৰ্ক স্থাপন কৰা আৰু ইটো বিভাগে আনটো বিভাগক সহায় কৰা।
- আন মন্ত্ৰালয়সমূহৰ আৱশ্যকীয়তা উপলব্ধি কৰি সেইবোৰৰ কৰ্মদক্ষতা বঢ়াবলৈ বিজ্ঞান-প্ৰযুক্তিক প্ৰয়োগ কৰা।
- বিভিন্ন উদ্যোগ আদি স্থাপন কৰাৰ ক্ষেত্ৰত বিজ্ঞান-নিৰ্ভৰ পদ্ধতি গ্ৰহণ কৰা আৰু উদ্যোগপতি-সকলক প্ৰয়োজনীয় পৰামৰ্শ আগ বঢ়োৱা।

এনে ধৰণৰ কাম-কাজসমূহ গোটেই বছৰ ধৰি চলাই যোৱা হ'ব আৰু তাৰ ফলত ভাৰতে নিশ্চয় বিশ্বৰ বিজ্ঞানজগতত এক সন্মানজনক স্থান লাভ কৰিব।

(টোকা : হটস্পট : যি ভৌগোলিক অঞ্চলত পৃথিৱীৰ মুঠ জীৱ প্ৰজাতিৰ ২ শতাংশতকৈ অধিক জীৱ প্ৰজাতি পোৱা যায় সেই অঞ্চলক জীৱ-বিচিত্ৰতা হট স্পট বোলে।) ❖

## ‘আৰ আৰ আৰ’ চলচ্চিত্ৰলৈ গ’ল্ডেন গ্ল’ব বঁটা




যোৱা ১১ জানুৱাৰী তাৰিখে এছ এছ ৰাজামৌলী পৰিচালিত তেলেগু ভাষাৰ বহুল প্ৰচাৰিত চলচ্চিত্ৰ ‘আৰ আৰ আৰ’এ গ’ল্ডেন গ্ল’ব বঁটা লাভ কৰি দেশলৈ বিৰল সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হয়। প্ৰসিদ্ধ সংগীত পৰিচালক এম এম কীৰাবানিয়ে সংগীত পৰিচালনা কৰা ‘নাটু নাটু’ শীৰ্ষক গীতটোৱে শ্ৰেষ্ঠ মৌলিক গীতৰ ‘গ’ল্ডেন গ্ল’ব বঁটা অৰ্জন কৰি সমগ্ৰ দেশবাসীক গৌৰৱান্বিত কৰি তোলে। বিশ্বপ্ৰসিদ্ধ এই গ’ল্ডেন বঁটা লাভ কৰা এইটোৱেই হৈছে এছিয়া মহাদেশৰ প্ৰথমটো গীত। ১৯২০ৰ দশকৰ ইংৰাজ-ভাৰতৰ পটভূমিত কোমাৰাম ভীম আৰু আল্লুৰী সীতাৰাম ৰাজু নামৰ দুগৰাকী স্বাধীনতা সংগ্ৰামীৰ সংগ্ৰামেই হৈছে ছবিখনৰ মূল উপজীব্য।

## ডা° তপন শইকীয়ালৈ ‘অসম বৈভৱ’ বঁটা



প্ৰসিদ্ধ কৰ্কট ৰোগ বিশেষজ্ঞ ডা° তপন শইকীয়াক ২০২৩ বৰ্ষৰ অসমৰ শ্ৰেষ্ঠ অসামৰিক সন্মান ‘অসম বৈভৱ’ বঁটাৰ বাবে নিৰ্বাচিত কৰা হয়। যোৱা ৪ জানুৱাৰী তাৰিখে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২৩ বৰ্ষৰ বাবে ‘অসম অসামৰিক সন্মান’ প্ৰাপকসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

সম্প্ৰতি মুম্বাইৰ যশলোক হস্পিতাল এণ্ড ৰিছাৰ্চ চেণ্টাৰৰ অংক’ ছায়েন্সৰ (oncoscience) সঞ্চালক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি থকা ডা° শইকীয়াই অসম কেন্সাৰ কেয়াৰকে ধৰি বিভিন্ন অনুষ্ঠানৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ আছে। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশেষজ্ঞগৰাকীয়ে অসমত কৰ্কট ৰোগৰ চিকিৎসাৰ লগতে সজাগতা সৃষ্টি আৰু আৰম্ভণিতে চিনাক্তকৰণৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি আগবঢ়াই আহিছে। যোৱা বৰ্ষত ‘অসম বৈভৱ’ সন্মান ভাৰতৰ প্ৰসিদ্ধ উদ্যোগপতি ৰতন টাটালৈ আগ বঢ়োৱা হৈছিল।

এই বৰ্ষত অসমৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান ‘অসম সৌৰভ’ বঁটা লাভ কৰা পাঁচগৰাকী ব্যক্তি হৈছে ক্ৰমে কৃষ্ণ ৰয়, গিলবাৰ্টছন চাংমা, নয়নমণি শইকীয়া, ড° বিনয় কুমাৰ শইকীয়া আৰু ডা° শশীধৰ ফুকন। লগতে এই বৰ্ষত ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰৰ মুঠ ১৫ জন ব্যক্তিলৈ অসমৰ তৃতীয় শ্ৰেষ্ঠ অসামৰিক সন্মান ‘অসম গৌৰৱ’ বঁটা আগ বঢ়োৱা হয়।

## বিশ্বৰ দীৰ্ঘতম নদী ক্ৰুজ সেৱা মুকলি



যোৱা ১৩ জানুৱাৰী তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বাৰাণসীৰ পৰা ডিব্ৰুগড়লৈ বিশ্বৰ দীৰ্ঘতম নদী ক্ৰুজ সেৱা মুকলি কৰে। ‘এম ভি গংগা বিলাস’ নামৰ বিশ্বৰ আটাইতকৈ দীঘলীয়া নদী ক্ৰুজখন বাৰাণসীৰ ৰামনগৰ বন্দৰৰ পৰা ৩২০০ কিল’মিটাৰ ৫১ দিনত অতিক্ৰম কৰি ডিব্ৰুগড়ত উপস্থিত হ’ব। এই বিলাসী নদী ক্ৰুজখনে ভাৰত আৰু বাংলাদেশৰ ২৭টা নদী প্ৰণালীৰ মাজেৰে ভ্ৰমণ কৰিব আৰু বিভিন্ন বিশ্ব ঐতিহ্য ক্ষেত্ৰ, ৰাষ্ট্ৰীয় উদ্যান, ডাঙৰ চহৰকে ধৰি ৫০ খন পৰ্য্যটনস্থলীক সাঙুৰি ল’ব। এম ভি গংগা বিলাস ক্ৰুজখনত এবাৰত ৮০ জন পৰ্য্যটকে যাত্ৰা কৰিব পাৰিব তথা এজন পৰ্য্যটকৰ এদিনত প্ৰায় ২৫,০০০ টকা ব্যয় হ’ব। চাৰিখন ৰাজ্য আৰু বাংলাদেশক সাঙুৰি লোৱা এই নদী ক্ৰুজৰ এটা টিকটৰ মূল্য ১২.৫৯ লাখ টকা নিৰ্দ্ধাৰণ কৰা হৈছে।

## ত্ৰিপুৰা, মেঘালয়, নাগালেণ্ডৰ বিধানসভা নিৰ্বাচন

যোৱা ১৮ জানুৱাৰী তাৰিখে ভাৰতৰ নিৰ্বাচন আয়োগে ত্ৰিপুৰা, মেঘালয় আৰু নাগালেণ্ড বিধানসভাৰ নিৰ্বাচনৰ দিন ঘোষণা কৰে। ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত (চিইচি) ৰাজীৱ কুমাৰে দিল্লীত ত্ৰিপুৰাৰ ভোটগ্ৰহণ ১৬ ফেব্ৰুৱাৰীত আৰু মেঘালয় তথা নাগালেণ্ডৰ ভোটগ্ৰহণ ২৭ ফেব্ৰুৱাৰীত হ’ব বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ৬০ খন আসনবিশিষ্ট তিনিওখন ৰাজ্যৰ নিৰ্বাচনৰ

ভোট গণনা ২ মাৰ্চত সম্পাদন কৰা হ'ব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰৰ মতে এই নিৰ্বাচনত তিনিওখন ৰাজ্যত মুঠ ৬৫ লাখ ভোটাৰে ৯১২৫টা ভোটদান কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰিব।

## ফুটবল সম্ৰাট পেলেৰ প্ৰয়াণ



ফুটবল খেলৰ সম্ৰাট তথা 'ক'লা মুকুতা' ৰূপে খ্যাত ফুটবল মহাতাৰকা পেলেৰ যোৱা ২৯ ডিচেম্বৰ তাৰিখে ৮২ বছৰ বয়সত দেহাৱসান ঘটে। ব্ৰাজিলৰ মিনাছ জেৰাইছৰ দ্ৰাৰিদ্ৰ্যপীড়িত ভূমিৰ পৰা সমগ্ৰ বিশ্ব নিজৰ অনন্য প্ৰতিভাৰে জিলিকাই তুলিবলৈ সক্ষম হোৱা পেলেৰ প্ৰকৃত নাম হৈছে এডছন আৰাণ্টছ ডো নচিমেণ্টো। তিনিবাৰকৈ বিশ্বকাপ লাভ কৰা বিশ্বৰ একমাত্ৰ খেলুৱৈ পেলে নিজৰ অপূৰ্ব ফুটবল শৈলী আৰু ভুৱন ভুলোৱা হাঁহিটোৰে সমগ্ৰ বিশ্বৰ সৰ্বকালৰ অন্যতম জনপ্ৰিয় খেলুৱৈৰূপে পৰিগণিত হৈছিল। তেওঁ আৰম্ভণিতে স্থানীয় খেলত গ'লকীপাৰ হিচাপে খেলুৱৈ জীৱন আৰম্ভ কৰিছিল। দুয়োভৰিৰ সমান দক্ষতা, দ্ৰুত গতি আৰু ষ্টেমিনা, হেডিঙৰ দক্ষতা আৰু মুক্তভাৱে গ'ল কৰাৰ বিচক্ষণতাৰ বাবে পাছলৈ তেওঁ ষ্ট্ৰাইকাৰৰূপে খ্যাতি লাভ কৰে তথা জাতীয় দলত স্থান লাভ কৰিবলৈ সক্ষম হয়। মাত্ৰ ১৭ বছৰ বয়সত ছুইডেন বিশ্বকাপত তেওঁ হেটট্ৰিক কৰি মহানায়কত পৰিণত হয় আৰু ব্ৰাজিলে প্ৰথমবাৰৰ বাবে বিশ্বকাপ জয় কৰে। পৰবৰ্তী ১৯৬২ চনত ব্ৰাজিলে বিশ্বকাপ দখল কৰে আৰু ১৯৭০ চনত মেক্সিকো বিশ্বকাপত ২৯ বছৰীয়া পেলেৰ নেতৃত্বত ব্ৰাজিলে তৃতীয়টো বিশ্বকাপ খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। দুটা আন্তঃ মহাদেশীয় কাপৰ খিতাপ দখলকে ধৰি বিভিন্ন ক্লাৱ তথা লীগ খেলৰ খিতাপ অৰ্জন কৰা ফুটবল সম্ৰাটগৰাকীয়ে ফুটবলৰ সকলো প্ৰকাৰৰ সন্মান বুটলিবলৈ সমৰ্থ হৈছিল। পেলেৰ ৯২টা হেটট্ৰিক কৰাৰ অভিলেখ এতিয়াও অক্ষুণ্ণ আছে। বিশ্বকাপ খেলত মুঠ ১২টা গ'ল কৰা পেলেৰ আনুষ্ঠানিক মেচৰ ১,২৮১টা গ'লৰ অভিলেখ এতিয়ালৈ কোনেও স্পৰ্শ কৰিবলৈ সক্ষম হোৱা নাই। পেলেই ১৯৭৭ চনত সকলো ধৰণৰ খেলৰ পৰা অৱসৰ গ্ৰহণ কৰে। ইংলণ্ডৰ মহাৰাণীৰ পৰা 'নাইটহুড' উপাধি তথা ৰাষ্ট্ৰসংঘৰ 'ক্ৰীড়া এম্বেচাদৰ'ৰ সন্মান লাভ কৰা পেলেৰ দেহাৱসানত বিশ্বজুৰি শোকৰ ছাঁ পৰে।

## এণ্টাৰ্কটিকাৰ শিখৰত হেদায়েৎ আলী



যোৱা ৩১ ডিচেম্বৰ তাৰিখে পৰ্বতাৰোহী হেদায়েৎ আলীয়ে এণ্টাৰ্কটিকাৰ শিখৰ মাউণ্ট ভিনচেণ্টৰ শীৰ্ষত অসমীয়াৰ স্বাভিমানৰ প্ৰতীক ফুলাম গামোচা উৰুৱাবলৈ সক্ষম হয়। গুৱাহাটীৰ দুঃসাহসিক ক্ৰীড়া সংগঠন এক্সপ্ল'ৰাৰ্ছৰ (explorers) সদস্য হেদায়েৎ আলীয়ে বিয়োগ '-৫৫' ডিগ্ৰী প্ৰবল শীতৰ মাজত অভিযান অব্যাহত ৰাখি দুৰ্দান্ত সফলতাৰে অসমলৈ গৌৰৱ কঢ়িয়াই আনে। উল্লেখযোগ্য যে আলীয়ে ইয়াৰ পূৰ্বে আন পাঁচখন মহাদেশৰ আন পাঁচটা সৰ্বোচ্চ শৃংগ আৰোহণ কৰি অভিলেখ সৃষ্টি কৰিছে। তেওঁ ইতিমধ্যে আৰোহণ কৰা অন্য সৰ্বোচ্চ শৃংগকেইটা হৈছে—এছিয়া মহাদেশৰ মাউণ্ট এভাৰেষ্ট (২৯,০৩৫ ফুট), দক্ষিণ আমেৰিকাৰ মাউণ্ট একন'গুৱা (২২,৮৩৮ ফুট), আফ্ৰিকা মহাদেশৰ মাউণ্ট কিলিমাঞ্জাৰো (১৯,৩৪১ ফুট) আৰু অষ্ট্ৰেলিয়াৰ মাউণ্ট কচিউজকু (৭৩১০ ফুট)। উত্তৰ আমেৰিকাৰ 'মাউণ্ট দেনালী' (২০,৩১০ ফুট) শিখৰ আৰোহণ কৰিব পাৰিলে তেওঁ সাতখন মহাদেশৰ সাতটা সৰ্বোচ্চ শিখৰ আৰোহণ কৰা প্ৰথমগৰাকী অসমীয়া পৰ্বাতাৰোহী হৈ পৰিব।

বৰ্তমান আমেৰিকাত থকা ৫১ বছৰীয়া আলীয়ে ২০২২ বৰ্ষত মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি বিৰল কৃতিত্ব প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছিল। পেচাত অভিযন্তা আলীয়ে এণ্টাৰ্কটিকা অভিযানৰ বাবে যোৱা ১৪ ডিচেম্বৰত ছান ফ্ৰান্সিস্কো চহৰৰ পৰা ৰাওনা হৈছিল আৰু প্ৰতিকূল বতৰকো নেওচি ১৬ দিনৰ দুঃসাহসিক অভিযানৰ অন্তত ৩১ ডিচেম্বৰত শিখৰৰ শীৰ্ষ স্থানত উপনীত হ'বলৈ সক্ষম হৈছিল।

## ঐতিহ্যমণ্ডিত হাৱাখানা ৰাজ্য চৰকাৰলৈ হস্তান্তৰ

যোৱা ২ জানুৱাৰী তাৰিখে ধুবুৰী জিলাৰ গৌৰীপুৰৰ মাটিয়াবাগত থকা ঐতিহ্যবাহী 'হাৱামহল' বা হাৱাখানাক ৰাজপৰিয়ালৰ সদস্যই ৰাজ্য চৰকাৰক আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰে। ঐতিহ্যমণ্ডিত হাৱামহল হৈছে পদ্মশ্ৰী তথা গোৱালপৰীয়া গীতৰ সম্রাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ বাসগৃহ। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত হস্তান্তৰকৰণ অনুষ্ঠানত ৰাজপৰিয়ালৰ সদস্যসকলে হাৱামহল সংৰক্ষণৰ দায়িত্ব চৰকাৰক হস্তান্তৰ কৰে। অসম চৰকাৰে ১৫ কোটি ২০ লাখ টকাৰ বিনিময়ত হাৱামহলৰ স্বত্ব লাভ কৰে আৰু পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেৰ নামেৰে সংগ্ৰহালয় হিচাপে সংৰক্ষণ কৰিব বুলি ঘোষণা কৰে। হাৱামহলক এবছৰৰ ভিতৰত স্মৃতিসৌধ আৰু সংগ্ৰহালয় হিচাপে নিৰ্মাণ কৰিব শংকৰদেৱ কলাক্ষেত্ৰই। ১৮৬৫ চনত ৰজা প্ৰভাত চন্দ্ৰ বৰুৱাই পাণবাৰীৰ পৰা ৰাজভৱন গৌৰীপুৰলৈ স্থানান্তৰ কৰিছিল আৰু ৰজাই পাহাৰ টিলাত এটা অতিথিশালা নিৰ্মাণ কৰিছিল। পাছত এই ২৪টা কোঠাযুক্ত অতিথিশালাটো হাৱামহল হিচাপে পৰিগণিত হয়। ১৯০৪ চনত চীনা মিস্ত্ৰিৰ দ্বাৰা নিৰ্মাণ আৰম্ভ কৰা হাৱামহলৰ নিৰ্মাণ কাৰ্য্য ১৯১৪ চনত সম্পূৰ্ণ হয়। ইয়াৰ সৌন্দৰ্য্যই সকলোকে মোহিত কৰে। পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেৰ স্মৃতি বিজড়িত হাৱামহলত মাহুত বন্ধুৰে, বিচাৰক, গজমুক্তা আদি জনপ্ৰিয় চলচ্চিত্ৰৰ দৃশ্যগ্ৰহণ কৰা হৈছিল।

## কাব্যঋষি নীলমণি ফুকনৰ মহাপ্ৰয়াণ

জ্ঞানপীঠ বঁটা বিজয়ী তথা 'কাব্যঋষি' হিচাপে খ্যাত দেশৰ অন্যতম শ্ৰেষ্ঠ কবি নীলমণি ফুকনৰ যোৱা ১৯ জানুৱাৰী তাৰিখে ৯০ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৩৩ চনৰ ১০ ছেপ্টেম্বৰত দেৰগাঁৱৰ চকিয়াল গাঁৱত জন্মলাভ কৰা কবি ফুকনে ১৯৬১ চনত ইতিহাস বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ১৯৬৪ চনত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰি ১৯৯২ চনত অৱসৰ গ্ৰহণ কৰে। নিজৰ চিন্তা-আদৰ্শেৰে অসমীয়া জাতিক মহীয়ান কৰি যোৱা কবিগৰাকীয়ে ১১ খন যুগজয়ী কবিতাপুথিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অনন্য শৈলী, কাব্য ভাষাৰে ৰচনা কৰা তেওঁৰ কবিতাপুথিকেইখন হৈছে—'সূৰ্য্য হেনো নামি আহে এই নদীয়েদি' (১৯৬৩), 'নিৰ্জনতাৰ শব্দ' (১৯৬৫), 'আৰু কি নৈঃশব্দ' (১৯৬৮), 'ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে' (১৯৭১), 'কঁাইট গোলাপ আৰু কঁাইট' (১৯৭৫), 'গোলাপী জামুৰ লগ্ন' (১৯৭৭), 'কবিতা' (১৯৮১), 'নৃত্যৰতা পৃথিৱী' (১৯৮৫), 'সাগৰতলিৰ শংখ' (১৯৯৪), 'অলপ আগতে আমি কি কথা পাতি আছিলোঁ' (২০০৩) আৰু 'সম্পূৰ্ণ কবিতা' (২০০৬)। তেওঁৰ অনূদিত কাব্যগ্ৰন্থকেইখন হ'ল—'জাপানী কবিতা', 'গৰ্থিয়া লৰকাৰ কবিতা', 'অৰণ্যৰ গান', 'চীনা কবিতা', 'অনুসৃষ্টি'। কুৰি শতিকাৰ অসমীয়া কবিতা, লোক কল্পদৃষ্টি, ৰূপ বৰ্ণ বাক, শিল্পকলা দৰ্শন, পাতি সোণাৰুৰ ফুল ইত্যাদি হৈছে তেওঁৰ দ্বাৰা ৰচিত অন্যান্য গ্ৰন্থ। ইংৰাজী, বাংলা, হিন্দী আদি বিভিন্ন ভাষালৈ তেওঁৰ কবিতা অনুবাদ হৈছে আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ পাঠ্যপুথিত তেওঁৰ কবিতাই স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।

সাহিত্য সাধনা তথা অৱদানৰ স্বীকৃতি স্বৰূপে কবিগৰাকীয়ে ১৯৮১ চনত 'কবিতা' নামৰ পুথিখনৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। ১৯৯০ চনত ভাৰত চৰকাৰৰ পৰা পদ্মশ্ৰী সন্মান আৰু ১৯৭৭ চনত মেগৰ শৈক্ষিক ন্যাসৰ 'অসম উপত্যকা সাহিত্য বঁটা'ও লাভ কৰিছিল। সাহিত্যাচাৰ্য্য সন্মান তথা সাহিত্য অকাডেমিৰ ফেল' সন্মান লাভ কৰা বিশিষ্ট কবিগৰাকীক ২০২১ চনত ভাৰতবৰ্ষৰ সাহিত্য জগতৰ সৰ্বশ্ৰেষ্ঠ সন্মান 'জ্ঞানপীঠ বঁটা'ৰে বিভূষিত কৰা হয়। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আৰু ড° মামণি ৰয়ছম গোস্বামীৰ পাছত 'জ্ঞানপীঠ বঁটা' লাভ কৰা তেওঁ হৈছে তৃতীয়গৰাকী অসমীয়া। অসমৰ জাতীয় কবি সন্মান লাভ কৰা বিশিষ্ট কবিগৰাকীৰ বিয়োগ অসমীয়া জাতিৰ বাবে এটা বৃহৎ ক্ষতি বুলি বিবেচিত হৈছে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ ডিচেম্বৰ ২০২২ ৰ পৰা ২০ জানুৱাৰী ২০২২লৈ)**

২২ **ডিচেম্বৰ** : লোককৃষ্টিৰ সাধক একলব্য গামক ২০২২ চনৰ 'প্ৰতিমা বৰুৱা পাণ্ডে' বঁটা আগ বঢ়োৱা হয়।

২৪ **ডিচেম্বৰ** : ডিব্ৰুগড়ৰ নাহৰচুকবাৰী বাগিচাৰ চাহ প্ৰতি কিল'ত ১,৫১,০০১ টকাত বিক্ৰী হৈ ইতিহাস ৰচনা কৰে।

২৫ **ডিচেম্বৰ** : পুষ্প কমল ডাহাল তৃতীয়বাৰৰ বাবে নেপালৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হয়।

২৬ **ডিচেম্বৰ** : মহিলা ৰাষ্ট্ৰীয় বক্সিং চেম্পিয়নশ্বিপত লাভলিনা বৰগোহাঁইয়ে স্বৰ্ণপদক দখল কৰে।

২৭ **ডিচেম্বৰ** : ভাৰতৰ নিৰ্বাচন আয়োগে অসমত বিধানসভা আৰু লোকসভা সমষ্টি পুনৰনিৰ্দ্ধাৰণ প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে আৰম্ভ কৰে।

২৯ **ডিচেম্বৰ** : বাৰ্ষিক ৭ কোটি মাৰ্কিন ডলাৰৰ বিনিময়ত ফুটবল মহাতাৰকা ক্ৰিষ্টিয়ানো ৰ'নাল্ডোৱে ছৌডি আৰবৰ আল-নাছেৰ ক্লাবৰ লগত চুক্তিবদ্ধ হয়।

৩০ **ডিচেম্বৰ** : অসমীয়া ভাষাক ভাৰতৰ ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা দিয়াৰ প্ৰক্ৰিয়া চূড়ান্ত পৰ্য্যায়ত বুলি অসম চৰকাৰে প্ৰকাশ কৰে।

১ **জানুৱাৰী** : বিশ্ব অৰ্থনীতিত ২০২৩ চনৰ চৰম মন্দাৱস্থা হ'ব বুলি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফ) ঘোষণা কৰে।

১ **জানুৱাৰী** : দেশত নিবনুৱাৰ হাৰ ৮.৩ শতাংশলৈ বৃদ্ধি হোৱা বুলি ভাৰতীয় অৰ্থনীতি নিৰীক্ষণ কেন্দ্ৰই প্ৰকাশ কৰে।

২ **জানুৱাৰী** : ভাৰতীয় বংশোদ্ভৱ মহাকাশ অভিযন্তা এচি চাৰণীয়াক নাছাৰ মুখ্য অভিযান্ত্ৰিক মুৰব্বী পদত নিযুক্তি দিয়া হয়।

২ **জানুৱাৰী** : ২০১৬ চনত কেন্দ্ৰীয় চৰকাৰে কৰা বি-মুদ্ৰাকৰণ বৈধ বুলি উচ্চতম ন্যায়ালয়ে ৰায়দান কৰে।

৪ **জানুৱাৰী** : আমেৰিকা যুক্তৰাষ্ট্ৰই কিউবাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ কাৰ্য্যালয় স্থাপন কৰি ইতিহাস ৰচনা কৰে।

৫ **জানুৱাৰী** : ৬ ফেব্ৰুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ গুৱাহাটীত আন্তঃৰাষ্ট্ৰীয় জি-২০ গোটৰ বৈঠক অনুষ্ঠিত হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

৬ **জানুৱাৰী** : ভাৰতত বিদেশৰ বিশ্ববিদ্যালয়ৰ চৌহদ (campus) স্থাপনৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে অনুমোদন জনায়।

১০ **জানুৱাৰী** : গুৱাহাটীত জিঅ'ৰ ট্ৰু ৫-জি সেৱা আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰে।

১৩ **জানুৱাৰী** : নাছাই সৌৰজগতৰ বাহিৰত 'টিঅ'আই-৭০০' নামৰ নতুন গ্ৰহ এটা আৱিষ্কাৰ কৰে।

১৩ **জানুৱাৰী** : অসম কৃষি বিশ্ববিদ্যালয়ে ৰাণীখেত ৰোগৰ প্ৰতিষেধক উদ্ভাৱন কৰি চৰকাৰক হস্তান্তৰ কৰে।

১৪ **জানুৱাৰী** : লিঅ'নেল মেছি আৰু কিলিয়ান এমবাপেক ফিফাই বৰ্ষশ্ৰেষ্ঠ ফুটবল খেলুৱৈৰ স্বীকৃতি প্ৰদান কৰে।

১৫ **জানুৱাৰী** : ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে এদিনীয়া ক্ৰিকেটত বৃহৎ ৩১৭ ৰাণৰ ব্যৱধানত জয়লাভ কৰি বিশ্ব অভিলেখ স্থাপন কৰে।

১৮ **জানুৱাৰী** : ভাৰতীয় ক্ৰিকেটাৰ শুভমন গীলে নিউজিলেণ্ডৰ বিৰুদ্ধে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলত ডবল চেঞ্চুৰী (২০৮ ৰাণ) কৰা সৰ্বকনিষ্ঠ খেলুৱৈ হিচাপে পৰিগণিত হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# অপ্ৰত্যাশিত

■ জেছমিনা পাৰবিন
নৱম শ্ৰেণী

নতুন স্কুলখনত প্ৰবেশ কৰিছে ৰীণাই। স্কুলঘৰটো কেইবামহলীয়া। তাই লাহে লাহে ওপৰৰ মহলালৈ গৈ আছে। শ্ৰেণীকোঠাত প্ৰবেশ কৰিছে ভয়ে ভয়ে। আচলতে তাই নতুন স্কুলখনত ছিট পৰীক্ষা দিবলৈ গৈছে। পৰীক্ষা শেষ হ'ল। তাৰ পাছত ৰিজাল্ট ঘোষণা কৰিলে। কিন্তু তাই পৰীক্ষাত পাছ কৰিব নোৱাৰিলে। ছিট নাপালে তাই। দেউতাকে খঙতে ৰীণাক আৰু নপঢ়ায় বুলি ক'লে। কিমান আশা কৰি ইমান ডাঙৰ এখন স্কুলত পঢ়ুৱাব বিচাৰিছিল তাইক।



"মোৰ সকলো আশা-আকাংক্ষাই ধ্বংস কৰি দিলি তই।"

"দেউতা, তেনেকৈ নক'বা। মোৰ কথাটো শুনা, দেউতা, মোৰ কথাটো শুনি যোৱা," ৰীণাই কান্দি কান্দি ক'লে।

এনেতে তাই সাৰ পাই গ'ল টোপনিৰ পৰা। তাইৰ দুচকুৰে চকুলো বৈ আহিছে। তেতিয়াও তাই ফেকুৰি ফেকুৰি কান্দিয়েই আছে। তাৰ পাছতহে তাই বাস্তৱ জগতলৈ ঘূৰি আহিল।

তাইৰ কান্দোনটো যেন ৰীণাৰ বায়েকে শুনা পাইছিল। কিন্তু ভালকৈ মন কৰা নাছিল। তেতিয়া মাজৰাতি। ৰীণাৰ মাকো একেখন বিছনাতে শুইছিল যদিও কথাটো গম নাপালে। তাইৰ অৱস্থা এতিয়া একেবাৰে তথৈবচ। থৰথৰকৈ কঁপি আছে তাই। ভয়ত যেন সন্ত্ৰস্ত হৈ আছে। ইমান দুখ তাই ইয়াৰ আগতে কেতিয়াও অনুভৱ কৰি পোৱা নাছিল। সঁচাকৈয়ে যদি তাই ফেইল কৰে পৰীক্ষাত, যদি ছিট নাপায়; কি হ'ব তেতিয়া? একোতো নহয়। কিন্তু লাজত জানো কাৰোবাক মুখ দেখুৱাব পাৰিব?

"নাই, নাই, কিয় ছিট নাপাম? মই পামেই, নিশ্চয় পাম।" কিন্তু এইখিনি কথা কৈ নিজক সান্ত্বনা দিব পৰা শক্তি জানো আছে তাইৰ? প্ৰায় এমাহমান আগতে ৰীণাই যেতিয়া পৰীক্ষা দিবলৈ গৈছিল, তেতিয়া তাই ১০০ নম্বৰৰ ভিতৰত ৮০ নম্বৰৰহে উত্তৰ কৰিব পাৰিছিল। বাকীখিনি নিলিখাকৈ এৰি থৈ আহিছিল। লিখাখিনিৰ ভিতৰতো চাগে' কেই নম্বৰমান ভুল হৈছিল। গতিকে ছিট পাব বুলি ৰীণাৰ আত্মবিশ্বাস নাই। এতিয়া তাই কি কৰিব? এই মুহূৰ্তত তাই যে কিমান অসহায়, সেই কথা কেৱল তাইহে জানে। তাইহে কেৱল অনুভৱ কৰিব পাৰে তাইৰ মনৰ মাজত চলি থকা বিচিত্ৰ ভাবৰ হেন্দোলনি।

আচলতে পঢ়া-শুনাৰ কথাটো তাইৰ বাবে সম্পূৰ্ণ বেলেগ। মানুহে যেনেকৈ কিছুমান পূজা বা উৎসৱ উপভোগ কৰিব নোৱাৰিলে দুখত ভাগি পৰে, ঠিক তেনেদৰে তাইৰ মনটো পঢ়া-শুনাৰ ক্ষেত্ৰত অলপ কম-বেছি হ'লেই তীব্ৰ যন্ত্ৰণাত ছটফটাই থাকে। লোকে জানো তাইক নক'ব, ইমানেই যদি পঢ়ে চহৰৰ স্কুলত কিয় পঢ়িবলৈ ছিট নাপালে! তাই আকস্মিকভাৱে এই পৰীক্ষাটো দিব লগাতকৈ তাই পৰীক্ষাৰ বাবে প্ৰস্তুত নোহোৱাটোহে এই ক্ষেত্ৰত বেছি প্ৰযোজ্য হ'ব। এনেদৰে তাই মনত চলি থকা বিচিত্ৰ ভয়ৰ কোলাহল লৈয়ে বহি

থকা অৱস্থাৰ পৰা শুই পৰিল যদিও টোপনি কিন্তু ভালকৈ নহ'ল।

এনেদৰে সময় বাগৰি গৈ থাকিল। কিন্তু ৰীণাই না ভালকৈ এসাঁজ খাইছে, না শুব পাৰিছে, না পঢ়া-শুনা, খেলা-ধূলা, কথা-বতৰাত ভাগ ল'ব পাৰিছে। যেতিয়ালৈকে ৰিজাল্ট নিদিয়ে, তেতিয়ালৈকে তাইৰ শান্তি নাই। এটা এটা মুহূৰ্ত তাইৰ বাবে এটা এটা যুগ হৈ পৰিছে। সময় এতিয়া নাযায়-নুপুৰায় যেন লাগিছে তাইৰ।

ৰিজাল্টৰ দিনা আবেলি দেউতাকে তাইক মাত দিয়া যেন লাগিল—

ঃ মাজনী, ক'ত তুমি?

ঃ দেউতা, ইয়াতে মই। মই ছিট পালোঁনে নাই দেউতা? কোৱানা দেউতা। দেউতাকৰ ৰঙা চকু দুটা দেখি তাই ভয়তে যেন কঁপি উঠিল। এনেতে দেউতাকে ডাঙৰকৈ এটা হাঁহি মাৰি ক'লে—

"তুমি পাছ কৰিছা, মাজনী।"

"সঁচাই দেউতা? কথাটো কৈয়েই তাই চৰাইৰ দৰে পাখি মেলি উৰা মাৰি যোৱাৰ দৰে পথাৰলৈ দৌৰি গ'ল তাইৰ মনৰ স্ফূৰ্তি আকাশ, বতাহ, পথাৰ, শস্য সকলোৰে ওচৰত প্ৰকাশ কৰিবলৈ। ❖

# মহোহো উৎসৱ

**■ ময়ংক পাঠক**

অষ্টম শ্ৰেণী

প্ৰাচীন কালৰে পৰা বৰ্তমানলৈকে নামনি অসমৰ অসমীয়া সংস্কৃতিৰ এটা জনপ্ৰিয় আৰু আমোদজনক পৰম্পৰাগত কৃষিভিত্তিক লোকউৎসৱ হ'ল মহোহো বা মহ খেদা উৎসৱ। প্ৰতি বছৰে আঘোণ মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। মহোহো উৎসৱ কোনো ধৰ্মীয় উৎসৱ নহয়। এই উৎসৱ অসমৰ সকলো মানুহে পালন কৰে। মহোহো শব্দটো উৎপত্তি হৈছে অসমীয়া ভাষাৰ 'মহ' আৰু বড়ো ভাষাৰ 'হো' শব্দৰ পৰা। নামনি অসমৰ বিশেষকৈ কামৰূপ, নলবাৰী, বৰপেটা আৰু দৰং জিলাত মহোহো উৎসৱৰ প্ৰচলন সৰ্বাধিক। এই উৎসৱক ঠাই বিশেষে বেলেগ বেলেগ নামেৰে জনা যায়। মহোহোক কামৰূপত মহৌ-হৌ, নলবাৰীত ভালোক দিয়া, বৰপেটাত ভাওল দিয়া আৰু দৰঙত মহৌখুন্দা বা মহখেদা উৎসৱ বুলি কোৱা হয়।

অসমৰ লোকসকলৰ বাবে আঘোণ মাহটো বৰ হেঁপাহৰ আৰু অতি গুৰুত্বপূৰ্ণ মাহ। আঘোণ মাহত পথাৰৰ ধানবোৰ পকিবলৈ ধৰে। এই সময়তে পথাৰৰ ধানত পোক ধৰা দেখা যায়। সেয়েহে আঘোণ মাহৰ পূৰ্ণিমাৰ ৰাতি ডেকা ল'ৰা আৰু চেমনীয়াবোৰে একোটাকৈ দল বান্ধি মানুহৰ ঘৰে ঘৰে গৈ মহোহো বা মহখেদা উৎসৱ পালন কৰে; যাতে ঘৰৰ পৰা মহ আৰু খেতিপথাৰৰ পৰা কীট-পতংগবোৰ নাইকিয়া হয়। মহৰ কামোৰৰ পৰা মানুহৰ বিভিন্ন বেমাৰৰ সৃষ্টি হয়। লোকবিশ্বাস মতে মহোহো উৎসৱৰ পাছত মহবোৰ লাহে লাহে কমি যায়। অতীজৰে পৰা স্বকীয়তাৰে অসমীয়া সমাজত মহ খেদা উৎসৱ জীয়াই আছে। মহোহো উৎসৱৰ চেমনীয়া বা ডেকা ল'ৰাসকলৰ মূল লক্ষ্য হৈছে গৃহস্থৰ ঘৰৰ পৰা টকা-পইছা, চাউল-দাইল ইত্যাদি মাননি হিচাপে সংগ্ৰহ কৰি ভোজ-ভাত খোৱা। সেইটো হৈছে তেওঁলোকৰ সামূহিক আনন্দ।

আঘোণ মাহৰ পূৰ্ণিমাৰ দিনা ৰাতি মহোহো উৎসৱত ডেকাবোৰে হাতে হাতে একোডাল টাঙোন লৈ মানুহৰ ঘৰে ঘৰে গৈ মহখেদা গীত গায় আৰু গৃহস্থক আশীৰ্বাদ দিয়ে। মহোহো দলৰ এজনে ভালুকৰ ভেশ ধৰে। লোকবিশ্বাস মতে ভালুকে হেনো মহ খায়। পৰম্পৰা অনুসৰি গৃহস্থই মাননি হিচাপে আগ বঢ়োৱা

## শিক্ষাৰ্থীৰ আখৰা-তলী



টকা-পইছা, চাউল, শাক-পাচলি আদি ল'বৰ বাবে এজনে ডাঙৰ মোনা এখন কান্ধত ওলমাই লৈ নানা ভংগীৰে নৃত্য কৰে। ভালুকৰ ভেশ ধৰাজনে কলগছৰ শুকান পাত গাত মেৰিয়াই লয়। বাঁহ বা তামোল গছৰ শুকান ঢকুৰাৰ খাৰু, মুকুট, মুখা আদি সাজি পিন্ধি লয়, এতিয়া অৱশ্যে ক'লা ৰঙৰ কাপোৰেৰে ভালুকৰ দৰে পোছাক চিলাই লয় আৰু বজাৰৰ পৰা আনি বিভিন্ন ধৰণৰ মুখা পিন্ধিও ভালুকৰ ভেশ ধৰা দেখা যায়। মহোহো গীত গোৱা দলবোৰৰ এজন দলপতি থাকে। এই উৎসৱত গোৱা গীতবোৰ হৈছে মানুহৰ মুখে মুখে চলি থকা লোকগীত। মহোহো গীতবোৰ থলুৱা আঞ্চলিক ভাষাত ৰচিত। দলপতিয়ে মহোহো বা মহ খেদা গীত লগাই দিয়ে। বাকী সদস্যবোৰে ঘূৰণীয়া হৈ থিয় দি গৃহস্থৰ চোতালত টাঙোনেৰে মাটিত শব্দ কৰি খুন্দিয়াই খুন্দিয়াই গীতবোৰ গায়। মাজত ভালুকৰ ভেশ ধৰাজনে ওপৰলৈ জঁপিয়াই জঁপিয়াই মহ খোৱা অভিনয় কৰি ৰাইজক মনোৰঞ্জন যোগায়। মহোহো গীতৰ বিষয়বস্তু শিশুসকলৰ বাবে বৰ আকৰ্ষণীয় আৰু কৌতুকপূৰ্ণ। মহোহো গীতবোৰ এনে ধৰণৰ—

"অ'হোহো মহোহো মহ খেদ্‌বা টাকান লো

মহে বুলে মল্লু দে, টেপল পুৰা খালু দে

এনথেৰ ঘৰৰ পকা জালুক

জাপদি আহে বুঢ়া ভালুক।"

মহোহো খেদা দলবোৰে মহ খেদাৰ বিনিময়ত গৃহস্থৰ পৰা মাননি হিচাপে টকা-পইছা, চাউল আদি বিচাৰি গীতৰ মাজেৰে সুন্দৰকৈ বুজাই কয় এনে ধৰণে—

'টেপলত নহ'ল নুন চাউল লাগে দুণ দুণ'

'বাঁহৰ পাত চিকিমিকি, আমাক নাংগে আধলি সিকি'

'বাঁহৰ পাত পকা পকা, আমাক লাগে টকা টকা।'

মহ খেদা দলটোক গৃহস্থই সামৰ্থ্য অনুযায়ী আদৰ-সাদৰেৰে মাননি আগ বঢ়ায় আৰু দলটিৰ পৰা আশীৰ্বাদ লয়। দলটোৱে গৃহস্থই দিয়া মাননি সাদৰেৰে গ্ৰহণ কৰি গৃহস্থৰ মংগল কামনাৰে আশীৰ্বাদ দিয়ে এনেদৰে—

'ভাল হওক কুশল হওক, ভঁৰালৰ ধান বাঢ়ক, গ'লিৰ গৰু বাঢ়ক, বেটা-বেটী বাঢ়ক, গইৰ্‌খা চলিক দিব পৰা কৰক' ইত্যাদি।

মহোহো উৎসৱৰ শেষত ল'ৰাবোৰে মাননি হিচাপে পোৱা টকা-পইছা, চাউল-দাইল আদিৰে ৰং-ধেমালি কৰি আনন্দেৰে ভোজ-ভাত খায়। মহোহো উৎসৱে সমাজৰ মিলা-প্ৰীতি, একতাৰ মনোভাৱ বৃদ্ধি কৰে। ❖

### তোমালোকে জানানে?

- ক্ৰিকেটৰ প্ৰথম প্ৰতিযোগিতামূলক খেলখন অনুষ্ঠিত হৈছিল ১৮২৭ চনত ইংলণ্ডৰ কেণ্ট আৰু ছাৰেৰ আঞ্চলিক দল দুটাৰ মাজত।
- ১৯৭৫ চনত ক্ৰিকেট পিট্‌ছৰ দৈৰ্ঘ্য ২২ গজ কৰা হয়।
- ১৮০৬ চনত চৌখিন আৰু পেছাদাৰী ক্ৰিকেট খেলুৱৈসকলৰ মাজত জেণ্টেলমেন আৰু প্লেয়াৰ দল নামেৰে খেলা আৰম্ভ হয়।

**উৎস :** শান্তনু কৌশিক বৰুৱাৰ 'কোনে, কেতিয়া, ক'ত কেনেকৈ কি আবিষ্কাৰ কৰিছিল?'

# টেমচুলা আও

■ নিষ্ঠা বৰগোহাঁই
ষষ্ঠ শ্ৰেণী



যোৱা ৭ অক্ট'বৰ ২০২২ তাৰিখে, নাগালেণ্ড তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলে হেৰুৱালে এগৰাকী বিশিষ্ট গল্পকাৰ, কবি, নৃতত্ত্ববিজ্ঞানৰ গৱেষক আৰু অধ্যাপকক। তেওঁ হ'ল নাগালেণ্ড তথা উত্তৰ-পূৰ্বাঞ্চলৰ সুসন্তান টেমচুলা আও। উত্তৰ-পূৰ্বাঞ্চলৰ গৌৰৱ এইগৰাকী বিদুষী নাৰীয়ে ১৯৪৫ চনৰ ২৫ অক্ট'বৰত অসমৰ যোৰহাট জিলাত জন্মগ্ৰহণ কৰিছিল। পিতৃগৃহ আছিল নাগালেণ্ডৰ মুককচাং জিলাৰ চাংকি গাঁৱত। ছটা সন্তানৰ তৃতীয় সন্তান আছিল আও। কনিষ্ঠ ভাতৃ কেঁচুৱা অৱস্থাত থাকোঁতেই পিতৃ-মাতৃৰ বিয়োগ ঘটাত আও আৰু পাঁচ ভাতৃ তেনেই নিঠৰুৱা হৈ পৰে। সৰু খুৰাকে কনিষ্ঠ দুই ভাতৃৰ প্ৰতিপালনৰ দায়িত্ব লৈ গাঁৱৰ ঘৰলৈ যায় আৰু বাকী চাৰি ভাই-ভনীয়ে বহু কষ্ট আৰু সংগ্ৰাম কৰি জীৱনত আগ বাঢ়িব লগা হয়। এই সংগ্ৰামে আওৰ জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল।

গোলাঘাট গাৰ্লছ মিছন স্কুলত ছবছৰ এগৰাকী আৱাসিক হিচাপে শিক্ষা গ্ৰহণ কৰা আওৱে ৰিড়জৱে গাৰ্লছ হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। হাইস্কুলীয়া শিক্ষাৰ এছোৱা অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰা আও অসমীয়া বিষয়ত দক্ষ আছিল। তেওঁ সাৱলীলভাৱে অসমীয়া ক'বও পাৰিছিল। আওৱে মুককচাঙৰ ফজল আলি কলেজৰ পৰা ডিষ্টিংছনসহ স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পৰবৰ্তী কালত হায়দৰাবাদস্থিত ইংলিছ এণ্ড ফৰেইন লেংগুৱেজ ইউনিভাৰ্ছিটিৰ পৰা ইংৰাজী ভাষা শিক্ষা বিষয়ত পিজি ডিপ্ল'মা আৰু শ্বিলংস্থিত উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ পৰা (NEHU) ডক্টৰেট ডিগ্ৰী লাভ কৰে।

ইংৰাজী বিভাগৰ প্ৰবক্তা হিচাপে উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ত ১৯৭৫ চনৰ পৰা আওৱে কৰ্মজীৱন আৰম্ভ কৰি ২০১০ চনত অৱসৰ গ্ৰহণ কৰে। শিক্ষকতাৰ এই সময়ছোৱাত আওৱে বিভিন্ন সৃষ্টিশীল আৰু গৱেষণামূলক কৰ্মৰাজিৰে উজলি উঠে। ১৯৯২ চনৰ পৰা ১৯৯৭ চনলৈ ডেপুটেছনত আওৱে ডিমাপুৰস্থিত 'উত্তৰ-পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰ'ৰ সঞ্চালক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তদুপৰি মিনেছ'টা বিশ্ববিদ্যালয়ৰ এগৰাকী সন্মানীয় ফুলব্ৰাইট (Fullbright) ফেল' হিচাপে তেওঁ স্বীকৃতি পাইছিল। উত্তৰ-পূব ভাৰতৰ পৰা ইংৰাজী ভাষা-সাহিত্যলৈ অৱদান আগ বঢ়োৱা মুষ্টিমেয় সাহিত্যিকসকলৰ ভিতৰত আওৰ অৱদান উল্লেখনীয়। তেওঁৰ সাতখন কাব্য-সংকলন ক্ৰমে—'Songs that Tell', 'Songs that Try to Say', 'Songs of Many Moods', 'Songs from Here and There', 'Songs from the Other Life', 'Book of Songs' আৰু 'Songs Along the Way Home' আদিত তেওঁৰ জীৱনৰ দৰ্শন আৰু জীৱনবোধ প্ৰতিফলিত হৈছে। তেওঁৰ চুটিগল্প সংকলন 'These Hills Called Home', 'Laburnum for My Head' আৰু 'The Tombstone in My Garden: Stories from Nagaland' বহুলভাৱে সমাদৃত।

আও মিনেছ'টা বিশ্ববিদ্যালয়ত গৱেষক হিচাপে অধ্যয়নৰত হৈ থাকোঁতে আমেৰিকাৰ ভূমিপুত্ৰসকলৰ সংস্পৰ্শলৈ আহি তেওঁলোকৰ মৌখিক সাহিত্য, সংস্কৃতি, পৰম্পৰা, ঐতিহ্য আদিৰ প্ৰতি আকৰ্ষিত হয় আৰু এই আকৰ্ষণে তেওঁক স্বজাতিৰ মৌখিক পৰম্পৰা আৰু ৰীতি-নীতি, সংস্কৃতি আদি সংৰক্ষণ কৰিবলৈ উৎসাহিত কৰে। আমেৰিকাৰ পৰা ঘূৰি আহি আওৱে বাৰ বছৰ

কাল এই বিষয়ৰ গৱেষণাত ব্ৰতী হয় আৰু সকলো পৌৰাণিক কাহিনী, লোককথা, লোকগাথা, ৰীতি-নীতি আৰু লোক-সংস্কৃতিৰ সমল সংগ্ৰহ কৰি প্ৰকাশ কৰে। এই পুথিখনক 'আও নগা' জাতিৰ ইতিহাস আৰু সংস্কৃতিৰ সবাতোকৈ বিশ্বাসযোগ্য দলিল বুলি গণ্য কৰা হয়।

টেমচুলা আওৰ অনবদ্য সাহিত্য কৰ্মৰাজি আৰু নৃজাতীয় গৱেষণাৰ বাবে তেওঁক ২০০৭ চনত পদ্মশ্ৰী সন্মান আগ বঢ়োৱা হয়। ২০০৯ চনত তেওঁ ৰাজ্যপালৰ সোণৰ পদকেৰে আৰু ২০১৩ চনত সাহিত্য অকাডেমি বঁটাৰে সন্মানিত কৰা হয়। তেওঁৰ লিখনিসমূহ বিভিন্ন ভাষালৈ অনুবাদ কৰা হৈছে। টেমচুলা আওৰ কৰ্মৰাজি উত্তৰ প্ৰজন্মৰ বাবে আদৰ্শ হৈ ৰ'ব। ❖

# ভাৰতৰ প্ৰথমগৰাকী মহিলা মুখ্যমন্ত্ৰী

■ **বিশাল চৌধুৰী**
অষ্টম শ্ৰেণী



১৯০৮ চনৰ ২৫ জুনত হাৰিয়ানাৰ আম্বালাত এটা বঙালী পৰিয়ালত জন্মগ্ৰহণ কৰা সুচেতা কৃপালিনী হৈছে ভাৰতৰ প্ৰথমগৰাকী মহিলা মুখ্যমন্ত্ৰী। তেওঁৰ পিতৃ এছ এন মজুমদাৰ আছিল এগৰাকী চৰকাৰী চিকিৎসক। দিল্লীৰ ছেণ্ট ষ্টিফেন্‌ছ কলেজ আৰু ইন্দ্ৰপ্ৰস্থ কলেজত শিক্ষা গ্ৰহণ কৰা এইগৰাকী মহিলাই বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত অধ্যাপিকা হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। ১৯৩৫ চনত সমাজকৰ্মী আচাৰ্য্য কৃপালিনীৰ সৈতে তেওঁ বিবাহপাশত আবদ্ধ হয় আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ সৈতে জড়িত হৈ পৰে। অৰুণা আছফ আলী আৰু ঊষা মেহতাৰ দৰে স্বাধীনতা যুঁজাৰুৰ সৈতে সুচেতাই ভাৰত ত্যাগ আন্দোলনৰ সময়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। দেশ বিভাজনৰ সময়ত তেওঁ মহামানৱ মহাত্মা গান্ধীৰ সৈতেও কাম কৰাৰ অভিজ্ঞতা আহৰণ কৰিছিল। ভাৰতৰ সংবিধান সভালৈ নিৰ্বাচিত হোৱা তেওঁ আছিল অন্যতম ভাৰতীয় মহিলা। সংবিধানৰ খচৰা প্ৰস্তুত কৰা উপ-কমিটিৰো সুচেতা কৃপালিনী আছিল সদস্যা। ভাৰত স্বাধীন হোৱাৰ পাছতো তেওঁ ৰাজনীতিৰ সৈতে জড়িত হৈ থাকে আৰু ১৯৫২ আৰু ১৯৫৭ চনত লোকসভালৈ নিৰ্বাচিত হয়। লঘু উদ্যোগ বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত ১৯৬২ চনত তেওঁ কাণপুৰ সমষ্টিৰ পৰা উত্তৰ প্ৰদেশ বিধানসভালৈ নিৰ্বাচিত হয়। ১৯৬৩ চনত সুচেতা কৃপালিনীয়ে ইতিহাস সৃষ্টি কৰি ভাৰতৰ কোনো ৰাজ্যৰ প্ৰথমগৰাকী মহিলা মুখ্যমন্ত্ৰী হোৱাৰ গৌৰৱ অৰ্জন কৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়তে তেওঁ কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ৰাজ্যিক কৰ্মচাৰীসকলৰ ধৰ্মঘটৰ সন্দৰ্ভত তেওঁ গ্ৰহণ কৰা কঠোৰ তথা ফলপ্ৰসূ পদক্ষেপে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। উল্লেখ্য যে সুচেতা কৃপালিনীৰ মুখ্যমন্ত্ৰিত্বৰ সময়তে ৰাজ্যিক কৰ্মচাৰীসকলে ৬২ দিনৰ বাবে ধৰ্মঘট পালন কৰিছিল। ১৯৭১ চনত সুচেতা কৃপালিনীয়ে ৰাজনীতিৰ পৰা অৱসৰ গ্ৰহণ কৰে আৰু ১৯৭৪ চনত তেওঁৰ দেহাৱসান ঘটে। ❖

# বালিঘৰ

■ কস্তুৰী ভৰালী
দ্বাদশ শ্ৰেণী

মনত আছেনে?
মেদেলুৱাৰ তলত বালিঘৰ সজা দিনবোৰ?
ঘৰবোৰ সাজি, আকৌ ভাঙি পেলাইছিলোঁ
নতুনকৈ সাজিম বুলি।
আজিও দেখিবলৈ পাওঁ
সমনীয়াৰ সৈতে বালিঘৰ সজা
অকণি অকণি হাত।
এদিন সিহঁতো ডাঙৰ হ'ব
আমাৰ দৰেই
মেদেলুৱাৰ তলত বালিঘৰ সজা দিনবোৰ মনত পেলাব।
আজিও বুটলি লওঁ
সৰি পৰা এপাহি বকুল
সুগন্ধিৰে ভৰা দুহাতে
মনত পেলায়
ৰ'দ জিলমিল দিনবোৰ
সময়ৰ টিকনি ধৰি ৰাখিবলৈ
সাধ্যনো আছে কাৰ?
আমি যে ডাঙৰ হ'লোঁ,
অকণিবোৰৰ ল'ৰা-ধেমালিৰ মাজত
এতিয়াও নিজকে দেখোঁ
তলসৰা বকুলেৰে গোঁঠা মালাৰ সুবাসত
অতীত ৰোমন্থন কৰোঁ।
অহা বাটেৰেই চোন উভতিব ল'লোঁ
তাৰ মাজতো এপলক ৰৈ ভাবোঁ
আমিও আছিলোঁ এদিন সৰু তেনেই
বকুলৰ সুবাস পালে
সিহঁতেও মনত পেলাব এদিন
বালিঘৰ সজা দিনবোৰ
আমাৰ দৰেই...। ❖

# আকাশ

■ শ্যামলীমা পাঠক
নৱম শ্ৰেণী

হে আকাশ !
প্ৰণাম জনাইছোঁ তোমাৰ
বিশালতাক।
মই জানো,
তোমাৰ বিশালতাৰ অৰ্থ
তোমাৰ বুকুতেই সৃষ্টি
শুকুলা ডাৱৰৰ
আৰু ৰঙচুৱা বেলিটিৰ।
তোমাৰ বুকুতেই জন্ম
গ্ৰহ-নক্ষত্ৰ
আৰু মৰমৰ জোনবাইৰ।
হে আকাশ !
তোমাৰ বুকুখনিতেই
ডাৱৰে লুকা-ভাকু খেলিছে,
পক্ষীয়ে গীত জুৰিছে
কবিয়ে তোমাক লৈ ৰচিছে
কাগজত সাঁথৰৰ মুকুতা,
আৰু গীতিকাৰে সুৰ-শব্দৰ
মিলন ঘটাই
তোমাৰেই গীত ৰচিছে।
সঁচাকৈয়ে আকাশ
তোমাৰ বিশাল ছাঁত
জিৰাবলৈ পাই,
আমি ধন্য।
কেতিয়াবা মই
পুৱাৰ আকাশখনলৈ চাই
ভাবোঁ
এবাৰ মাত্ৰ
চুই চাব পৰা হ'লে... ! ❖

# স্মৰণীয় সময়, স্মৰণীয় ঘটনা

## (ভাৰতৰ স্বাধীনতাৰ ৭৫টা বছৰত)

■ অপৰ্ণা দেৱী

*(যোৱা সংখ্যাৰ পাছৰ পৰা)*

**বালকনামা :**




বালকনামা হ'ল এখন মাহেকীয়া শিশু আলোচনী। পৃথিৱীৰ ভিতৰত এইখনেই একমাত্ৰ আলোচনী, যিখন আলোচনীৰ লেখক-লেখিকা পদপথৰ কিছুমান শিশু। ২০০৩ চনৰ ছেপ্টেম্বৰ মাহত প্ৰথম প্ৰকাশ হোৱা বালকনামা আলোচনীখনৰ লক্ষ্য হ'ল পদপথৰ শিশুসকলক সবলীকৰণ কৰাৰ লগতে তেওঁলোকক এখন নিৰ্দিষ্ট মঞ্চ (প্লেটফৰ্ম) প্ৰদান কৰা। আলোচনীখনত পদপথৰ শিশুসকলে নিজৰ মনৰ ভাব প্ৰকাশ কৰাৰ সুবিধা পায়। বালকনামাৰ এটা নিৰ্দিষ্ট ৱেবচাইট আছে। এগৰাকী উপদেষ্টা, সাতগৰাকী সাংবাদিক, ত্ৰিছগৰাকী বিশেষ কৰ্মীৰ দ্বাৰা বালকনামাৰ সম্পাদনাৰ কাম কৰা হয়। যিসকল পদপথৰ শিশুৱে লিখিব নাজানে, তেওঁলোকৰ মুখৰ কথাকেই সম্পাদনা সমিতিয়ে লিপিবদ্ধ কৰি প্ৰকাশ কৰে।

### সমীক্ষাবাদ মুভমেণ্ট

সমীক্ষাবাদ মুভমেণ্ট বা সমীক্ষাবাদ আন্দোলন হৈছে আধুনিক ভাৰতৰ এক চিত্ৰকেন্দ্ৰিক আন্দোলন। সংস্কৃত শব্দ 'সমীক্ষা'ৰ অৰ্থ হ'ল জীৱনৰ বিশ্লেষণ অথবা জীৱনৰ সমালোচনা।

উত্তৰ ভাৰতত ১৯৭৪ চনত আৰম্ভ হোৱা সমীক্ষাবাদ আন্দোলনে এক বিশেষ তাৎপৰ্য্য বহন কৰি আহিছে। এই আন্দোলনে চিত্ৰ বা ছবিৰ মাধ্যমত সমসাময়িক সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ কথা প্ৰকাশ কৰে।

সমীক্ষাবাদে ভাৰতীয় পৰম্পৰাগত চিত্ৰকলাৰ লগত আধুনিক চিত্ৰকলাৰ সমন্বয় ঘটাই চিত্ৰকলাক এক বিশেষ মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। সমীক্ষাবাদক প্ৰতিনিধিত্ব কৰা কিছুসংখ্যক চিত্ৰশিল্পীৰ ভিতৰত অন্যতম হ'ল—ৰবীন্দ্ৰনাথ মিশ্ৰ, বীৰেন্দ্ৰ প্ৰসাদ সিং, ৰঘুবীৰ সেন ধীৰ, হৃদয় নাৰায়ণ মিশ্ৰ, সন্তোষ কুমাৰ সিং ইত্যাদি।

### অস্কাৰ বিজয়ী প্ৰথম ভাৰতীয় মহিলা

ভানু আথাইয়া। এগৰাকী কষ্টিউম ডিজাইনাৰ (costume designer)। ৰিচাৰ্ড এটেনবৰ'ৰ (Richard Attenborough) 'গান্ধী' চিনেমাৰ লগত জড়িত মহিলাগৰাকী সংবাদ জগতৰ শিৰোনামলৈ আহিছিল ১৯৮২ চনত। 'গান্ধী' চিনেমাত তেওঁ কষ্টিউম ডিজাইনিঙৰ ক্ষেত্ৰত দেখুওৱা পাৰদৰ্শিতাৰ বাবে অস্কাৰ পুৰস্কাৰ আজুৰি আনিবলৈ সক্ষম হৈছিল। ভানু আথাইয়াই হ'ল ভাৰতৰ প্ৰথম অস্কাৰ বিজেতা। ❖



(আগলৈ)

**Did You Know ?**

# Follow the Leader

■ **Aparajita Dutta**



To us, the letter 'V' may stand for victory, but to geese, 'V' is for speed.If you've ever looked up to see a flock of geese in flight, you have probably noticed that they fly in a 'V' shaped formation : one goose lead, forming a point and the rest of the geese fan out behind it in two diagonal lines.

This set-up helps to provide a windbreak by distributing airflow. Each bird controls its movement by using the wind that flows off the wings of the bird in front of it. The formation also saves everybody because each goose can rely on the wings of the bird in front of it. Of course the leader does not get much help. That's why the geese take turns at flying in the lead spot. But, using the same amount of energy, geese flying in formation can fly 71 percent faster than an individual goose. Air force pilots also follow the same pattern in war somtimes. ❖

# Tsunami

Tsunami is a Japanese word that means 'harbour wave'. It is in harbours that tsunami do the most damage. What actually is a tsunami ? It's a wave of water that sometimes follows earthquakes, volcanic eruptions or underwater landslides. Not all tsunamis are large or destructive. Some tsunamis can raise 100 feet by the time they reach the shore. The largest tsunami ever measured was 212 feet high.

How fast can tsunami travel ? In deep water, a tsunami can travel as fast as 600 miles per hour. It is important to remember that a tsunami is usually made up of several waves moving together. The distance from the crest of one wave to the crest of another can be as much as 100 miles (160 km). So, a large wave could hit, followed an hour or so later by one after another. ❖




*Source : Young Discoverer Series*

# A Tale of Two Cities

■ **Jyotirekha Kalita**

**About the Author :** Charles Dickens (1812–1870) was the most famous writer in the 19th century England. He wrote over 30 books in his lifetime. Some of his notable works are 'Oliver Twist', 'Nicholas Nickleby', 'A Christmas Carol', 'David Copperfield', 'Great Expectations'. 'A Tale of Two Cities' was published in 1859. This novel was amidst the best times of French Revolution.

**Central characters of the novel :** Doctor Alexandre Manette : A brilliant physician from France; Lucie Manette : daughter of Alexandre Manette; Charles Darnay : A French aristrocrat who drops his family name of St. Evremonde and moves to England. Sydney Carton : A reckless lawyer, who almost looks like Charles Darnay. He serves as a legal aide to a London barrister, Mr Stryver. Madame Defarge : The wife of Ernest Defarge : She represents the violent aspect of the French Revolution.




The novel covers the story of two cities– London and Paris. It is the time of 1775 and Mr Jarvis Lorry is going to Dover (a place) to meet Lucie Manette. He tells her that she is not an orphan in the world as this was told to her from a young age. He also tells her that her father has recently been released from the Bastille, Paris, where he was kept as a prisoner for eighteen years. Doctor Manette is presently at the house of Defarge's family, where they are running a wine-shop. Her father has lost his memory due to the mental and physical suffering in the prison. But he starts regaining his memory when he meets his daughter Lucie and soon they went back to London.

After five years, Charles Darnay is accused in London of a charge for providing English secrets to the French. Then, the dramatic appearance of Sydney Carton, who looks very much similar to Charles Darnay, hides the positive identification and helps in Darnay's acquittal. Actually, Darnay, Carton and Stryver all love Lucie Manette. Although they try to impress her, she favours Charles Darnay and marries him eventually. On the day of wedding, Charles Darnay reveals that he is a Frenchman belonging to the family of nobles and his family was responsible for Dr Manette's imprisonment in Bastille.

*(to be continued)*

# নিৰাপত্তা পৰিষদ

■ ৰুণুমী কলিতা

আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ উদ্দেশ্যে পৃথিৱীৰ দেশসমূহে দ্বিতীয় বিশ্বযুদ্ধৰ পিছত এটা সংগঠন স্থাপন কৰাৰ পৰিকল্পনা কৰে। তাৰ ফলশ্ৰুতিত ১৯৪৫ চনৰ ২৪ অক্ট'বৰ তাৰিখে আন্তঃৰাষ্ট্ৰীয় সংগঠন ৰাষ্ট্ৰসংঘৰ জন্ম হয়। জন্মৰ আৰম্ভণিতে ইয়াৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা আছিল ৫১ খন। বৰ্তমান এই সংখ্যা বৃদ্ধি পাই ১৯৩ হৈছেগৈ।

ৰাষ্ট্ৰসংঘৰ এটা অতি গুৰুত্বপূৰ্ণ অংগ হ'ল নিৰাপত্তা পৰিষদ। নিৰাপত্তা পৰিষদক ৰাষ্ট্ৰসংঘৰ প্ৰধান ছটা অংগৰ মুখ্য অংগ বুলি ধৰা হয়। দেশসমূহৰ মাজত আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা বৰ্তাই ৰখাই হৈছে নিৰাপত্তা পৰিষদৰ মুখ্য উদ্দেশ্য। নিৰাপত্তা পৰিষদৰ ৰাষ্ট্ৰসংঘৰ কাৰ্য্যপালিকা স্বৰূপ। কোনো সদস্য ৰাষ্ট্ৰৰ মাজত অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হ'লে নিৰাপত্তা পৰিষদে সেই বিবদমান ৰাষ্ট্ৰসমূহক আলোচনাৰ মাধ্যমেৰে বা মধ্যস্থতাকাৰীৰ জৰিয়তে দেশবোৰৰ নিজ নিজ সমস্যাবোৰ সমাধা কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। নিৰাপত্তা পৰিষদে যিকোনো বিবাদ সম্পৰ্কে তদন্ত কৰি শান্তিপূৰ্ণ ৰায় প্ৰদান কৰিব পাৰে। পৰিষদে দিয়া পৰামৰ্শ বাস্তৱ ক্ষেত্ৰত কাৰ্য্যকৰী নহ'লে পৰিষদে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।


আৰম্ভণিতে ৫ খন ৰাষ্ট্ৰ স্থায়ী সদস্য আৰু ৬ খন ৰাষ্ট্ৰ অস্থায়ী সদস্য লৈ নিৰাপত্তা পৰিষদ গঠন কৰা হৈছিল। কিন্তু এছিয়া আৰু আফ্ৰিকা মহাদেশৰ ভালেমান স্বাধীন দেশ ৰাষ্ট্ৰসংঘৰ সদস্যভুক্ত হোৱাৰ কাৰণে এই দেশসমূহকো নিৰাপত্তা পৰিষদত প্ৰতিনিধিত্ব কৰাত সুবিধা দিব লগা হৈছিল। সেয়েহে ১৯৬৩ চনত অস্থায়ী সদস্য ৰাষ্ট্ৰৰ সংখ্যা ১০ খনলৈ বৃদ্ধি কৰা হয়। সেয়েহে বৰ্তমান নিৰাপত্তা পৰিষদত ১৫ খন সদস্য আছে। পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্ৰকেইখন হ'ল—চীন, ফ্ৰান্স, ৰুছিয়া, বৃটেইন আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰ। পৰিষদৰ অস্থায়ী সদস্য ৰাষ্ট্ৰসমূহক সাধাৰণ সভাই দুবছৰৰ বাবে নিৰ্বাচন কৰে। অস্থায়ী সদস্য নিৰ্বাচন কৰাৰ বিষয়ত দুটা নীতিৰ ওপৰত গুৰুত্ব দিয়া হয়। প্ৰথমতে, আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠা কৰাত বৰঙণি যোগোৱা দেশৰ মাজৰে পৰা অস্থায়ী সদস্যক নিৰ্বাচিত কৰা হয়। দ্বিতীয়তে, পৃথিৱীৰ বিভিন্ন অঞ্চলৰ দেশে যাতে এই পৰিষদত প্ৰতিনিধিত্ব কৰাৰ সুবিধা পায় সেই বিষয়ে দৃষ্টি ৰখা হয়। আৰম্ভণিতে ইংলণ্ড, ফ্ৰান্স, আমেৰিকা, ৰাছিয়া আৰু কুউমিণ্টাং চীন নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য আছিল। ১৯৭১ চনত কুউমিণ্টাং চীনৰ পৰিৱৰ্তে কমিউনিষ্ট চীনক নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যভুক্ত কৰা হয়। সদস্য ৰাষ্ট্ৰসমূহৰ প্ৰত্যেকে কেৱল মাত্ৰ এজনহে প্ৰতিনিধি নিৰাপত্তা পৰিষদলৈ পঠিয়াব পাৰে। প্ৰত্যেক সদস্য ৰাষ্ট্ৰৰে একোটাকৈ ভোট থাকে। নিৰাপত্তা পৰিষদৰ যিকোনো সিদ্ধান্তৰ বাবে সকলো স্থায়ী সদস্যৰ সন্মতিৰ প্ৰয়োজন। এই সদস্য ৰাষ্ট্ৰবোৰৰ এখনৰ অমত হ'লেও বাকী সকলোৰে লোৱা সিদ্ধান্ত বাতিল হয়। স্থায়ী সদস্যৰ এই ক্ষমতাক ভেট' ক্ষমতা বোলে।

ৰাষ্ট্ৰসংঘৰ প্ৰধান অংগ হিচাপে এই পৰিষদখন আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে জড়িত হৈ আছে। কিন্তু বৰ্তমান সময়ৰ নতুন ব্যৱস্থাত যিহেতু ৰাষ্ট্ৰবোৰে যুদ্ধৰ পৰিৱৰ্তে নৰম বিষয়বোৰৰ (soft issues) ওপৰত অধিক গুৰুত্ব দিছে, গতিকে এই ক্ষেত্ৰত নিৰাপত্তা পৰিষদে কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰিব সেই কথাক লৈ এটা প্ৰশ্নৰ উত্থাপন হৈছে। ইয়াৰ লগতে নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য সংখ্যা বৃদ্ধিৰ বাবেও বহুতো দেশে দাবী উত্থাপন কৰিছে। গতিকে সাম্প্ৰতিক বিশ্বত পৰিষদৰ স্থায়ী সদস্য সংখ্যা বৃদ্ধি তথা ইয়াৰ অধিকাৰ ক্ষেত্ৰখন (Jurisdiction) কিছু পৰিমাণে সংস্কাৰ হোৱাটো অতি প্ৰয়োজনীয় হৈ পৰিছে।

# মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

1. এটা ঘনকৰ ছয়খন পিঠিত 14ৰ পৰা 19লৈ সংখ্যাবোৰ চিহ্নিত কৰা হৈছে। ঘনকটোৰ তিনিটা বিভিন্ন অৱস্থান তলৰ চিত্ৰত দেখুওৱা হৈছে।




i) 18 ৰ বিপৰীত পিঠিত থকা সংখ্যাটো কি?

a) 14 b) 15 c) 16 d) 19

ii) 16 ৰ বিপৰীত পিঠিত থকা সংখ্যাটো কি?

a) 14 b) 17 c) 18 d) 19

iii) 19 ৰ বিপৰীত পিঠিত থকা সংখ্যাটো কি?

a) 14 b) 17 c) 18 d) 15

2. তলৰ অনুক্ৰমসমূহৰ লুপ্ত পদটো নিৰ্ণয় কৰা :

i) ZA, YB, XC, ——

a) VD b) VE c) WD d) WE

ii) DCAB, IHFG, NMKL, ——

a) TSQR b) SRQP c) RSQP d) SRPQ

iii) 5, 7, 11, 19, 35, ——

a) 52 b) 61 c) 67 d) 71

iv) 1, 4, 9, 1, 8, 27, 16, 25, 36, 64, ——


a) 168 b) 126 c) 144 d) 125

v) 27, 46, 65, 84, ——

a) 101 b) 103 c) 105 d) 107


3. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

i)





a) 80 b) 90 c) 85 d) 102

ii)




a) 36 b) 49 c) 52 d) 56

iii)




a) 45 b) 47 c) 49 d) 40

4. তলৰ কোনটো শব্দ অভিধানত প্ৰথমে পোৱা যাব?

a) DREAM b) DRAWING c) DRAUGHT d) DRIVE

5. অমিলটো বাছি উলিওৱা :

a) GDFE b) QMPO c) TQSR d) CZBA

6. তলত চাৰিযোৰ সংখ্যা দিয়া আছে। ইয়াৰে তিনিটা যোৰত থকা সংখ্যা দুটাৰ মাজত একে ধৰণৰ সম্পৰ্ক আছে। অমিল যোৰটো বাছি উলিওৱা :

a) 6, 23 b) 3, 11 c) 1, 3 d) 5, 18

7. এজন মানুহে আৰম্ভণি অৱস্থানৰ পৰা পূবমুৱাকৈ 15 মিটাৰ দূৰত্ব খোজ কাঢ়ি যোৱাৰ পাছত সোঁফালে ঘূৰি 8 মিটাৰ গ'ল। তাৰ পাছত তেওঁ পুনৰ সোঁফালে ঘূৰি 15 মিটাৰ গ'ল। তাৰ পাছত তেওঁ আকৌ এবাৰ সোঁফালে ঘূৰি 12 মিটাৰ গৈ ৰ'ল।

i) মানুহজন এতিয়া আৰম্ভণি অৱস্থানৰ পৰা কিমান দূৰত আছে?

a) 2 মিটাৰ b) 3 মিটাৰ c) 4 মিটাৰ d) 5 মিটাৰ

ii) মানুহজনে মুঠতে কিমান দূৰত্ব অতিক্ৰম কৰিলে?

a) 27 মিটাৰ b) 50 মিটাৰ c) 40 মিটাৰ d) 38 মিটাৰ

iii) মানুহজনে শেষত কোনমুৱাকৈ খোজ কাঢ়িছিল?

a) পূব b) পশ্চিম c) উত্তৰ d) দক্ষিণ

| | | | | | | |
|---|---|---|---|---|---|---|
| **উত্তৰসমূহ :** | 1. i) b | ii) a | iii) b | 2. i) c | ii) d | iii) c |
| | iv) d | v) b | 3. i) a | ii) b | iii) d | 4. c |
| | 5. b | 6. d | 7. i) c | ii) b | iii) c | |

# ৱাল্ট ডিজনী ৱৰ্ল্ড



আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্ল'ৰিডাত অৱস্থিত এখন প্ৰসিদ্ধ প্ৰমোদ উদ্যান ডিজনী ৱৰ্ল্ড। মাৰ্কিন চলচ্চিত্ৰ নিৰ্মাতা তথা কাৰ্টুন ছবিক বিশ্বত জনপ্ৰিয় কৰাসকলৰ পথিকৃত ৱাল্ট ডিজনীয়ে (Walt Disney, ১৯০১-১৯৬৬) ১৯৫৫ চনত আমেৰিকাৰ লছ এঞ্জেলছত শিশুসকলৰ বাবে স্থাপন কৰা এখন প্ৰমোদ উদ্যান ডিজনীলেণ্ড। ডিজনীৰ মৃত্যুৰ পাছত তেওঁ প্ৰতিষ্ঠা কৰি থৈ যোৱা ডিজনী কোম্পানীয়ে (পূৰ্বৰ ৱাল্ট ডিজনী প্ৰডাকছ্নছ লিমিটেড) ১৯৭১ চনত ফ্ল'ৰিডাত মুকলি কৰে ডিজনী ৱৰ্ল্ড; সম্পূৰ্ণ নাম ৱাল্ট ডিজনী ৱৰ্ল্ড।



এক বৃহৎ চৌহদত অৱস্থিত ডিজনী ৱৰ্ল্ডত মনোৰঞ্জনৰ অজস্ৰ সুবিধা আছে। প্ৰতি বছৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ডেৰ কোটি লোক এই 'সপোনপুৰী' দৰ্শন কৰিবলৈ ফ্ল'ৰিডালৈ আহে। ইয়াত থকা 'যাদুৰ ৰাজ্য'ত প্ৰৱেশ কৰিলে ৰূপকথাৰ দৰে প্ৰাচীন শৈলীৰ ধুনীয়া ঘৰবোৰত চিনাকি ৰূপকথাৰ চৰিত্ৰবোৰক লগ পোৱা যায়। ভ্ৰমণকাৰীসকলক উঠাই লৈ ফুৰিবৰ বাবে বিভিন্ন নাগৰদোলা বা চক্ৰিবাজী (merry-go-round) আছে, যন্ত্ৰচালিত চমকপ্ৰদ আহিলাবোৰতো আছেই। বিভিন্ন দেশৰ মানুহৰ জীৱন যাত্ৰা কেনে ধৰণৰ সেই সম্পৰ্কে প্ৰদৰ্শনীমূলক দৃশ্যও তাত আছে, আৰু আছে মন-প্ৰাণ হৰি নিয়া কিছুমান চমকপ্ৰদ প্ৰদৰ্শনী তথা খেল, য'ত সকলোৱে ভাগ লৈ কিছু অভূতপূৰ্ব অভিজ্ঞতা লাভ কৰিব পাৰে। তাতো যদি মন নভৰে, তেন্তে ডিজনী-এম জি এম ষ্টুডিঅ'ত (Disney-MGM Studio) বিভিন্ন মনোৰঞ্জনধৰ্মী চিনেমাও চাব পাৰে। ডিজনীলেণ্ড আৰু ডিজনী ৱৰ্ল্ডৰ পাছত ১৯৮৩ চনত জাপানৰ টকিঅ'ত আৰু ১৯৯২ চনত ফ্ৰান্সৰ পেৰিছত ইয়াৰ আৰ্হিতে কেইবাখনো অত্যাধুনিক প্ৰমোদ উদ্যান মুকলি কৰা হয়। ❖

*উৎস : ১২১ বিস্ময়—শান্তনু কৌশিক বৰুৱা*

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

### অসমীয়া ফকৰা-যোজনা

### ল'ৰাই পানী পেলায়, বুঢ়া পিছলি পৰে



সৰু ল'ৰা-ছোৱালীয়ে কেতিয়াবা জানি বা নাজানি পানী পেলাব পাৰে। তেনেদৰে ক'ৰবাত পেলাই ৰখা পানীত পিছলি ডাঙৰ লোকেও আঘাতপ্ৰাপ্ত হ'ব পাৰে। অৰ্থাৎ সৰু ল'ৰা-ছোৱালীয়ে কৰা ভুলৰ বাবে কেতিয়াবা ডাঙৰ মানুহ অপমানিত হ'ব পাৰে, মনোকষ্টও পাব পাৰে। একেদৰে সন্তানে কৰা ভুলৰ বাবেও কেতিয়াবা মাক-দেউতাক এনে অস্বস্তিকৰ পৰিস্থিতিৰ মুখামুখি হ'ব লগা হয়। এই যোজনাফাকিৰ অৰ্থ এয়াই।

**প্ৰায়োগিক বাক্য : চাচোন, সেই ফুকলীয়াকেইটাই কৰা অপকৰ্মটোৰ বাবে পৰিয়ালৰ গুণী-জ্ঞানী মানুহবোৰেও সমাজত নাক উলিয়াব নোৱৰা হ'ল; ইয়াকে কয় বোলে ল'ৰাই পানী পেলায়, বুঢ়া পিছলি পৰে। ❖**

### সকলো মগনীয়া মৰক, মোৰ জোলোঙাটি ভৰক

মগনীয়াসকলে ভিক্ষা মাগি খায়। ভিক্ষা মাগিবলৈ যোৱা মগনীয়াৰ সংখ্যা অধিক হ'লে প্ৰতিজন মগনীয়াৰ ভাগত কমকৈ ভিক্ষা পৰিব। কিন্তু স্বাৰ্থপৰ কিছু মগনীয়াই নিজৰ ভাগত বেছিকৈ ভিক্ষা পৰাৰ আশাতেই অন্য মগনীয়াৰ মৃত্যু কামনা কৰে। এই যোজনাটোৰ অৰ্থ হ'ল নিজৰ উন্নতিৰ বাবে আনৰ অমংগল কামনা কৰা। স্বাৰ্থপৰ মানুহে নিজৰ স্বাৰ্থৰ বাবে আনৰ অমংগল কৰিবলৈও কুণ্ঠাবোধ নকৰে।



**প্ৰায়োগিক বাক্য : তাক চিনিবলৈ আৰু বাকী নাই বুজিছ; তাৰ মনোভাব হ'ল সকলো মগনীয়া মৰক, মোৰ জোলোঙাটি ভৰক। ❖**

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# আদৌ




শিক্ষাৰ্থীসকল, তোমালোকে বাতৰি কাকত বা আলোচনীৰ পাতত প্ৰকাশ হোৱা কাৰ্টুনবোৰ মন কৰিছানে বাৰু? এই কাৰ্টুনবোৰত ৰৈখিক চিত্ৰ পদ্ধতিৰে বিভিন্ন পৰিস্থিতিক তুলি ধৰা হয়। কাৰ্টুনবোৰ সাধাৰণতে ব্যংগাত্মক হয়। কাৰ্টুন ছবিবোৰে আমাক চিন্তাৰ খোৰাক যোগায়, হাস্যৰসৰো উদ্ৰেক কৰে। কাৰ্টুনবোৰে সাধাৰণতে জ্যেষ্ঠসকলকহে আকৰ্ষণ কৰা দেখা যায়। কিয়নো শিশু-কিশোৰ উপযোগী কাৰ্টুন বৰ বেছিকৈ দেখিবলৈ পোৱা নাযায়। অলপতে তোমালোকে পঢ়ি বা চাই আমোদ পাব পৰা এখন কাৰ্টুনৰ কিতাপ প্ৰকাশ পাইছে। বৰ্তমান সময়ৰ এগৰাকী সুদক্ষ কাৰ্টুনিষ্ট নিতুপর্ণ ৰাজবংশীয়ে আঁকি উলিয়াইছে এই কাৰ্টুন গ্ৰন্থখন। "এজনী দুঃসাহসী ছোৱালী আদৌ" নামৰ কাৰ্টুন সংগ্ৰহটোত তোমালোকৰ মনত চিন্তাৰ খোৰাক যোগাব পৰা বহুতো কাৰ্টুন আছে। আমি দৈনন্দিন জীৱনত দেখি থকা বিভিন্ন ঘটনা, অন্ধবিশ্বাস-লোকবিশ্বাস, প্ৰকৃতি সজাগতা,স্বাস্থ্য সুৰক্ষা আদি দিশবোৰেই এই কিতাপখনত ঠাই পাইছে। এই কাৰ্টুন সংগ্ৰহটোত আদৌ নামৰ কণমানিজনীৰ মুখত দিয়া সংলাপবোৰ অতি তাৎপৰ্য্যপূৰ্ণ। কেতিয়াবা পদ্যৰূপত আৰু কেতিয়াবা গদ্য ৰূপত এই সংলাপবোৰ দিয়া হৈছে। কেইটিমান তেনে কাৰ্টুনৰ উদাহৰণ তুলি দিছোঁ---

১। একেৰাহে চালে মোবাইল
জীৱন পথত খোজ দিবা কেইমাইল
চকুৰে পাই কষ্ট, পঢ়া-শুনাও নষ্ট
সেয়ে—
পঢ়িবা কিতাপ
আঁতৰিব সন্তাপ

২। ইমান যে দিছা বোজা
কৰিব নোখোজা হোজা
পিছে দেহ মন মলঙিছে
ফাটিছে তাৰ কলিজা
জীৱনত নম্বৰেই নহয় বৰ
কোমল মনটোতো আছে এটা ঘৰ
তাক নিজাকৈ সজাবলৈ দিয়া অ ককাই
মনবৰ

এই কাৰ্টুনবোৰৰ আটাইতকৈ ভাল লগা দিশটো হ'ল ইয়াৰ অংকনশৈলী। দক্ষ কাৰ্টুনিষ্ট নিতুপৰ্ণ ৰাজবংশীৰ তুলিকাত প্ৰাণ পাই উঠা আদৌকে ধৰি ভিন্ন চৰিত্ৰবোৰে তোমালোকক নিশ্চয় আমোদ দিব। কিতাপখনৰ পাতনিত ইয়াৰ স্ৰষ্টা নিতুপৰ্ণ ৰাজবংশীয়ে লিখিছে— *"আদৌ বা আদো অতি আদৰ বা মৰমত মতা নাম। বিশেষকৈ অসমৰ পশ্চিম প্ৰান্তত প্ৰচলিত এই মৰমৰ সম্বোধন 'আদৌ'ক ধাৰ কৰি আনি 'আদৌ'ক সজাই তোলা হৈছে। এজনী অকণমানিক মূল চৰিত্ৰ হিচাপে লৈ আমাৰ দৈনন্দিন জীৱনত আমি দেখি থকা বিভিন্ন ঘটনা, লাভ কৰা বিভিন্ন অভিজ্ঞতা,আমাৰ সমাজ-সংস্কৃতি, লোককথা, লোকসংস্কৃতিকে ধৰি পৰিৱেশ সচেতনতা,বিজ্ঞানসন্মত শিক্ষাত গুৰুত্ব প্ৰদান,অন্ধবিশ্বাস-কুসংস্কাৰ বিৰোধী অভিযান আৰু বিজ্ঞান মনস্ক দিশবোৰক কাৰ্টুনৰ মাধ্যমেৰে শিক্ষাৰ্থী আৰু অভিভাৱক তথা সমাজৰ মাজলৈ লৈ যোৱাৰ এক সৰল প্ৰয়াস। এই দিশবোৰ শিশু আৰু চেমনীয়াৰ মনোজগতৰ পৰাই চোৱা হৈছে।"* এই ব্যতিক্ৰমী কাৰ্টুন গ্ৰন্থখন প্ৰকাশ কৰিছে বনলতা প্ৰকাশনে। কিতাপখনৰ মূল্য ১০০ টকা। ❖

## গ'ল্ডেন গেট ব্ৰীজ

বিশ্বৰ এখন বৃহৎ আৰু মনোমোহা দলং আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফ'ৰ্নিয়াৰ গ'ল্ডেন গেট ব্ৰীজ (Golden Gate Bridge)। বহু বছৰ ধৰি পৃথিৱীৰ আটাইতকৈ দীঘল আৰু আটাইতকৈ ওখ দলং হিচাপে গ'ল্ডেন গেট ব্ৰীজেই স্বীকৃতি পাই আহিছিল। পাছে এতিয়া ইয়াতকৈও ডাঙৰ দলং নিৰ্মাণ কৰা হৈছে। গ'ল্ডেন গেট ব্ৰীজ কুৰি শতিকাৰ চমকপ্ৰদ প্ৰযুক্তিৰ এক বিস্ময়কৰ নিদৰ্শন। এই দলঙৰ নক্সা কৰিছিল যোছেফ ষ্ট্ৰাউছ (Joseph Strauss) নামৰ এজন প্ৰতিভাশালী স্থপতিবিদে। তেওঁ এই দলং নিৰ্মাণৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ দূৰ কৰিবলৈ নিজে কিছুমান অভিনৱ প্ৰযুক্তি সৃষ্টি কৰি ল'বলগীয়া হৈছিল। বিশেষকৈ, দক্ষিণ দিশৰ প্ৰধান ভাৰবাহী স্তম্ভটো নিৰ্মাণ কৰাৰ ক্ষেত্ৰত তেওঁ যথেষ্ট মূৰ খটুৱাবলগীয়া হৈছিল। সেই স্তম্ভটো সাগৰৰ বুকুত ৩০ মিটাৰ গভীৰলৈকে সোমাই আছে। সম্ভাব্য ভূমিকম্পৰ পৰা তাক ৰক্ষা কৰিবলৈ ষ্ট্ৰাউছে এনে কিছু প্ৰযুক্তি-কৌশল ব্যৱহাৰ কৰিছিল, যিবোৰ এই ক্ষেত্ৰত প্ৰথমবাৰৰ বাবে প্ৰয়োগ কৰা হৈছিল। এইখন দলং সাজি থকা সময়ত যথেষ্ট বিপৰ্য্যয়, দুৰ্ঘটনা আদি সংঘটিত হৈছিল। এবাৰ এখন জাহাজে জোৰেৰে খুন্দা মাৰি নিজৰ লগতে নিৰ্মীয়মান দলংখনৰো বিস্তৰ ক্ষতি কৰিছিল। পাছে সেই সকলো বাধা অতিক্ৰম কৰি সেই দলঙৰ নিৰ্মাণৰ কাম সফলতাৰে শেষ হয় আৰু ১৯৩৭ চনত গ'ল্ডেন গেট ব্ৰীজখনক যাতায়াতৰ বাবে মুকলি কৰি দিয়া হয়। ❖

*উৎস ঃ বিস্ময়—১২১ শান্তনু কৌশিক বৰুৱা।*

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

### শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

### প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| পৰিত্যক্ত | deserted, abandoned | হীৰা | diamond |
| চানেকি, আৰ্হি | design | দিনলিপি | diary |
| মনোনীত | designated | অভিধান | dictionary |
| পদবী | designation | নৈশভোজন | dinner |
| প্ৰেৰণ | despatch | ঢাল | dip |
| নিৰাশ্ৰয় | destitute | কূটনীতি | diplomacy |
| ধ্বংস, নাশ | destruction | কূটনৈতিক | diplomatic |
| বিশদ | detail | নিৰ্দেশ | direction |
| আটক কৰা | detain | সঞ্চালক | director |
| মূল্য হ্ৰাস | devaluation | প্ৰত্যক্ষ কৰ | direct tax |
| উন্নয়ন | development | অক্ষমতা | disabilities |
| উপভাষা | dialect | বিতুষ্ট | disaffected |
| একনায়কত্ব | dictatorship | বিতৰণ | disbursement, distributeon |
| কৰ্ণ | diagonal | অনুশাসন | discipline |
| ৰেখাচিত্ৰ | diagram | আৱিষ্কাৰ | discovery ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষাৰ পৰা)*

# অসমৰ ঔষধি গছ



**ঔ-টেঙা** : ইংৰাজী নাম : Elephant apple, বৈজ্ঞানিক নাম : *Dillenia indica* : ঔ-টেঙা অসমৰ জনজীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত এবিধ স্থানীয় উদ্ভিদ। ডিলেনিয়েচিয়া (Dilleniaceae) পৰিয়ালৰ অন্তৰ্গত ঔ-টেঙা গছ দক্ষিণ-পূব এছিয়াৰ পৰা ভাৰত, বাংলাদেশ, শ্ৰীলংকাৰ লগতে দক্ষিণ-পশ্চিম চীন, ভিয়েটনাম, থাইলেণ্ড, মালয়েছিয়া পৰ্য্যন্ত বিস্তৃত হৈ আছে। এইবিধ গছ ১৫ মিটাৰলৈ ওখ হয়। পাতবোৰ ১৫ৰ পৰা ৩৬ ছেমি. দীঘল আৰু সমান্তৰাল ভাঁজযুক্ত। ইয়াৰ ফলবোৰ গোলাকাৰ আৰু হালধীয়ায—সেউজ বৰণৰ। ঔ-টেঙা সাধাৰণতে ব'হাগ-জেঠ মাহত ফুল ধৰে আৰু ফল লাগে। পূৰঠ হ'লে বা পকিলে ঔ-টেঙাৰে মাছৰ আঞ্জা ৰান্ধি খোৱা হয়। ইয়াত যথেষ্ট পৰিমাণে প্ৰ'টিন, ভিটামিন চি আৰু আঁহজাতীয় পদাৰ্থ থাকে। ঔ-টেঙাৰ যথেষ্ট ঔষধি গুণ আছে। বৃক্কৰ বিভিন্ন ৰোগ, ৰক্ত চাপ, চকুৰ সমস্যা, পেটৰ বিভিন্ন ৰোগ আদি নিৰাময়ৰ ক্ষেত্ৰত ঔ-টেঙা যথেষ্ট উপকাৰী। ❖

**থেকেৰা টেঙা** : ইংৰাজী নাম : Bor thekera, বৈজ্ঞানিক নাম : *Garcinia pedunculata* : অসমীয়া জনজীৱন আৰু খাদ্য প্ৰণালীত থেকেৰা টেঙাৰ ব্যৱহাৰ অতীজৰে পৰা হৈ আহিছে। ই এবিধ টেঙা ফল লগা চিৰসেউজ গছ। এইবিধ গছ ঘাইকৈ এছিয়াৰ দক্ষিণ-পূব অঞ্চল বিশেষকৈ ম্যানমাৰ আৰু ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত পোৱা যায়। থেকেৰা টেঙা ক্লুজিয়েচিয়া (Clusiaceae) পৰিয়ালৰ অন্তৰ্গত। পাতবোৰৰ স্পষ্ট মধ্যসিৰা দেখা যায়। ফলবোৰ প্ৰায়ে ঘূৰণীয়া আৰু ব্যাস ৮ৰ পৰা ১২ ছেমি. পৰ্য্যন্ত হয়। ইয়াৰ ভিতৰছোৱা ৰসেৰে পৰিপূৰ্ণ। সাধাৰণতে ফলবোৰ কাটি ৰ'দত শুকুৱাই সংৰক্ষণ কৰা হয়। মাছৰ টেঙা, মাটিমাহ, আন আন শাক-পাচলি আৰু দাইলৰ লগত থেকেৰা টেঙা ব্যৱহাৰ কৰা হয়। থেকেৰাৰ বহুত ঔষধি গুণো আছে। সাধাৰণতে পেটৰ অসুখ হ'লে থেকেৰা টেঙা খাবলৈ দিয়া হয়। বৰ থেকেৰাৰ ৰস গৰমৰ দিনত চৰবত হিচাপে ব্যৱহাৰ কৰিলেও গৰমৰ দিনত হোৱা বিভিন্ন ৰোগৰ পৰা হাত সাৰি থাকিব পাৰি। উচ্চ ৰক্তচাপ, গ্ৰহণী, কৌষ্ঠকাঠিন্য, পেট কামোৰণি, প্ৰস্ৰাৱৰ সংক্ৰমণ আদি বিভিন্ন ৰোগৰ পৰা উপশম লাভ কৰাৰ ক্ষেত্ৰত বৰ থেকেৰাই মহৌষধ হিচাপে কাম কৰে। ❖



# চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৯০

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 9 | | | 3 | | | 6 | 7 |
| | | 8 | | | | 1 | | |
| | 4 | 2 | 8 | | 1 | | | |
| 5 | | 4 | | | 7 | | | |
| 7 | 3 | | | | | | 5 | |
| 9 | | | | | 2 | 4 | | |
| | | | 7 | 5 | | | 4 | |
| | | | | | 3 | 2 | | 1 |
| | 6 | | | | | | | |

## চুড'কু ১৮৯

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 8 | 5 | 4 | 6 | 2 | 1 | 9 | 3 | 7 |
| 7 | 9 | 3 | 4 | 5 | 8 | 2 | 1 | 6 |
| 2 | 6 | 1 | 9 | 7 | 3 | 8 | 5 | 4 |
| 6 | 7 | 9 | 5 | 3 | 2 | 1 | 4 | 8 |
| 5 | 1 | 2 | 8 | 4 | 7 | 3 | 6 | 9 |
| 3 | 4 | 8 | 1 | 6 | 9 | 5 | 7 | 2 |
| 4 | 3 | 5 | 2 | 9 | 6 | 7 | 8 | 1 |
| 1 | 2 | 6 | 7 | 8 | 5 | 4 | 9 | 3 |
| 9 | 8 | 7 | 3 | 1 | 4 | 6 | 2 | 5 |

### তোমালোকে জানানে?

## ফিংগাৰপ্ৰিণ্ট



ভাৰতবৰ্ষত ব্যক্তি চিনাক্তকৰণৰ বাবে প্ৰণালীবদ্ধভাৱে আঙুলিৰ মূৰৰ ছাপ লোৱা পদ্ধতিৰ আৰম্ভণি হয় ১৮৫৮ চনত বংগৰ মুৰ্চিদাবাদৰ জংগিমপুৰত। ইণ্ডিয়ান চিভিল ছাৰ্ভিচৰ (Indian Civil Service) উইলিয়াম হাৰশ্বেল নামৰ বিষয়াজনে সেই বছৰতে জংগিমপুৰৰ অন্তৰ্গত নিস্তগ্ৰামৰ এজন ঠিকাদাৰৰ হাতৰ ছাপ লৈছিল।

প্ৰত্যেকজন লোকৰে আঙুলিৰ ছাপ যে বেলেগ বেলেগ সেই ধাৰণাটো পোনপ্ৰথমে আগ বঢ়াইছিল ফ্ৰান্সৰ আঁলফঁছ বাৰ্টিলৈ। তেৱেঁই প্ৰমাণ কৰি দেখুৱাইছিল যে মানুহ যিমান দিন বাচি থাকে সিমান দিনলৈ এজন মানুহৰ হাতৰ আঙুলিৰ ৰেখাবোৰ সলনি নহয়। অপৰাধী ধৰিবলৈ পোনপ্ৰথমে আঙুলি চাপৰ সহায় লৈছিল বুয়েন্‌ছ আয়াৰ্চৰ পুলিচ বিভাগে ১৮৯১ চনত। আনহাতে ভাৰতবৰ্ষত ১৮৯৮ চনত কলকাতা পুলিচত ফিংগাৰপ্ৰিণ্ট অনুসন্ধান শাখা খোলা হয়। জলপাইগুৰিৰ ইন্সপেক্টৰ জেনেৰেল (আইজি) ছাৰ এডৱাৰ্ড হেনৰী আৰু তেওঁৰ সহযোগী খান বাহাদুৰ আজিজুল হকে অপৰাধী চিনাক্তকৰণৰ বাবে আঙুলিৰ চাপৰ প্ৰণালীবদ্ধ অধ্যয়নৰ এক বিশেষ পদ্ধতি উলিয়ায়। এই পদ্ধতি পাছত লণ্ডনৰ বিশ্ববিখ্যাত স্কটলেণ্ড য়াৰ্ডেও অনুসৰণ কৰি ১৯০১ চনৰ জুলাই মাহৰ পৰা অপৰাধী চিনাক্তকৰণত ব্যৱহাৰ কৰে। ❖

*উৎস ঃ শান্তনু কৌশিক বৰুৱাৰ 'কি, কিয়, কেনেকৈ?'*

# পেট্ৰা

■ দৰ্শনা বৰা



পেট্ৰা পশ্চিম জৰ্ডানত অৱস্থিত এখন বুৰঞ্জীপ্ৰসিদ্ধ তথা প্ৰত্নতাত্ত্বিক স্থান। বিশ্বৰ আশ্চৰ্য্যবোৰৰ ভিতৰত পেট্ৰা অন্যতম। গ্ৰীক ভাষাত পেট্ৰা শব্দৰ অৰ্থ হ'ল শিল। পৰ্বতৰ গুহাৰ ভিতৰত আৰু শিলত কটা বিভিন্ন মূৰ্তি আৰু লিপিৰ বাবে এই ঠাই প্ৰখ্যাত।

প্ৰাচীন অঘৰী আৰব জাতি অৰ্থাৎ নাবাটিয়ানসকলে (Nabataean) পেট্ৰাত তেওঁলোকৰ ৰাজধানী পাতিছিল। পৰ্বত-পাহাৰেৰে আগুৰা শিলাময় ওখ-চাপৰ টিলাৰে গঠিত এই ভূখণ্ড স্বাভাৱিকভাৱেই এক সুৰক্ষিত স্থান আছিল। আশ্চৰ্য্যকৰ কথা যে যীশুখৃষ্টৰ জন্মৰ প্ৰায় ন হাজাৰ বছৰ আগতেই এই ঠাইত মানৱ সভ্যতাই পাতনি মেলিছিল। পেট্ৰাৰ প্ৰাচীন ধ্বংসাৱশেষসমূহৰ পৰা এসময়ত এই স্থান স্থাপত্য-ভাস্কৰ্য্য তথা সাংস্কৃতিক দিশত কিমান সমৃদ্ধিশালী আছিল তাৰেই উমান পোৱা যায়। নাবাটিয়ানসকলৰ পাছত এই ঠাইত ৰোমান শাসনৰো প্ৰভাৱ পৰা দেখা যায়।

১৮১২ চনত যোহান লুডৱিগ বাৰ্কহাৰ্ট (Johann Ludwing Burckhardt) নামৰ ইউৰোপীয় অভিযাত্ৰী এজনে নতুনকৈ পেট্ৰাক আৱিষ্কাৰ কৰি পশ্চিমীয়া দেশসমূহৰ দৃষ্টি আকৰ্ষণ কৰে। পেট্ৰাৰ প্ৰাচীন অধিবাসীসকলে তাহানিৰ দিনতে ৰঙা কঠিন শিলাখণ্ড কাটি কাটি কিদৰে বিশাল ভৱন, উপাসনা স্থলী, এম্ফি থিয়েটাৰ, পানীৰ সংগ্ৰহালয়, গোপন গুহাময় পথ আদি নিৰ্মাণ কৰিছিল সেয়া অতি আচৰিত কথা। ৰঙা শিলেৰে পৰিপূৰ্ণ হোৱাৰ বাবে এই ঠাইক ৰ'জ চিটিও বোলা হয়।

লোহিত সাগৰ আৰু মৃতসাগৰৰ মাজৰ এই ভূখণ্ডত প্ৰাক্ ঐতিহাসিক সময়ৰ পৰাই মানৱ সভ্যতাৰ উত্থান হৈছিল। পেট্ৰাৰ শিল্পকলা তথা চহকী স্থাপত্য-ভাস্কৰ্য্য প্ৰাচীন সভ্যতা-সংস্কৃতি আৰু গ্ৰীক স্থাপত্যকলাৰ সংমিশ্ৰণত গঢ় লৈ উঠা।

নাবাটিয়ানসকলে পৰ্বতৰ জুৰিৰ পানী বোৱাই আনি এই সৰু চহৰত পৰ্য্যাপ্ত পানীৰ সুবিধা হোৱাকৈ পানীৰ সংগ্ৰহৰ ব্যৱস্থা কৰিছিল। বালি শিলৰ এটা পাহাৰ খান্দি তাত কোষাগাৰ পতা হৈছিল। বিস্তৃত এলেকাজুৰি থকা বিভিন্ন সমাধি, মন্দিৰসমূহৰ স্থাপত্যকলা, গীৰ্জাঘৰ, অৰ্দ্ধবৃত্তাকাৰ ৰংগশালাৰ ভগ্নাৱশেষ আদিৰ উপৰি ইয়াৰ গুহাবোৰত সুন্দৰ সুন্দৰ মূৰ্তি আৰু চিত্ৰকলাৰ নিদৰ্শন পোৱা যায়। এখন চকুত লগা প্ৰবেশদ্বাৰেদি সোমাই পেট্ৰাৰ পৌৰাণিক কীৰ্তি-চিহ্নৰে আৱৰি থকা অঞ্চলসমূহলৈ যাব লাগে। শিলত কটা 'দ্য ট্ৰেজাৰি', শিলৰ মাজৰ 'আল চিক' নাম পদপথ, 'দেইৰ মনেষ্টেৰী', 'হাই প্লেচ অফ চেক্ৰিফাইচ' নামৰ বিখ্যাত ঐতিহাসিক ধৰ্মীয় স্থান আদি শিলত কটা বহু স্থাপত্য-ভাস্কৰ্য্যৰে পেট্ৰা পৰ্য্যটকৰ বাবে এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এই পুৰাতাত্ত্বিক সমলসমূহে বহু ঐতিহাসিক কথাৰ জ্ঞান লাভ কৰাত সহায় কৰাৰ লগতে অতীতৰ সেই সভ্যতাসমূহ স্থাপত্যকলা, শিল্পকলা আদিৰ দিশত কিমান চহকী আছিল তাৰেই প্ৰমাণ দিয়ে।

১৯৮৫ চনত ইউনেস্ক'ই (UNESCO) পেট্ৰাক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰে। ❖

# দশম শ্ৰেণীৰ পাছৰ কেৰিয়াৰ

■ **অৰূপ কুমাৰ ডেকা**



দশম শ্ৰেণী বা হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তেওঁলোকে পৰৱৰ্তী পৰ্য্যায়ত অধ্যয়ন কৰিব খোজা বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে তেওঁলোকৰ কেৰিয়াৰ। গতিকে এই সময়ত আহি পৰা এক গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈছে—তেওঁলোকে কি কৰিব বা কেনে বিষয় অধ্যয়ন কৰিব দশম শ্ৰেণীৰ পাছত। এই সময়ত ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকৰ বাবে এটি শুদ্ধ সিদ্ধান্ত লোৱাটো অতি আৱশ্যকীয়। দশম শ্ৰেণীৰ পাছত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পছন্দ বিষয় লৈ পৰিকল্পিতভাৱে আগ বাঢ়িলে কলা, বিজ্ঞান আৰু বাণিজ্য প্ৰতিটো বিষয়তে সুন্দৰ কেৰিয়াৰ গঢ়াৰ থল যথেষ্ট আছে। কোনটো শাখাৰ বিষয় অধ্যয়ন কৰিব সেয়া যিহেতু দশম শ্ৰেণী বা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পাছতে ঠিক কৰিব লাগে সেয়ে বিষয় নিৰ্বাচন কৰাৰ আগতে কিছু মন কৰিবলগীয়া কথা থাকে। তাৰে কেইটামান হৈছে—প্ৰথমে মন কৰিবলগীয়া দিশটো হৈছে নিজৰ ইচ্ছা। ছাত্ৰ-ছাত্ৰীয়ে নিজে কি বিষয় ভাল পায় বা কি বিষয় অধ্যয়ন কৰিবলৈ ইচ্ছুক সেইটো ভাবিব লাগে আৰু সেই মতে বিষয় বা শাখা নিৰ্বাচন কৰিব লাগে। ইচ্ছা থকা বা আগ্ৰহ থকা বিষয় এটাত সফল হোৱা সহজ। দ্বিতীয়তে হৈছে দক্ষতা। কোনটো বিষয়ত ছাত্ৰ-ছাত্ৰীগৰাকীৰ দক্ষতা বেছি বা আনসমূহ বিষয়তকৈ কিছু ভাল সেইটো চাব লাগে। কাৰণ প্ৰতিটো বিষয়েই ভালদৰে অধ্যয়ন কৰিলে বহুতো কেৰিয়াৰ গঢ়াৰ পথ মুকলি হৈ থাকে। সেয়ে নিজৰ দক্ষতা থকা বিষয়বোৰ বাছি উলিয়াই আগ বাঢ়িব লাগে। তৃতীয়তে কোনবোৰ বিষয়ৰ সংস্থাপনৰ ক্ষেত্ৰত গুৰুত্ব বেছি সেই দিশটোও চাব লাগে।

দশম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পাছত ছাত্ৰ-ছাত্ৰী তিনিটা প্ৰধান শাখা, যেনে—বাণিজ্য, বিজ্ঞান আৰু কলাৰ ভিতৰত নিজ ইচ্ছা, দক্ষতাৰ ওপৰত ভিত্তি কৰি নামভৰ্তি কৰিব পাৰে। বাণিজ্য শাখাৰ মুখ্য বিষয় হৈছে অৰ্থনীতি (Economics), একাউণ্টেন্সি (Accountancy) আৰু ব্যৱসায় অধ্যয়ন (Business Studies)। ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ বাহিৰেও এই শাখাত গণিত (Mathematics), ইনফৰমেটিক্‌ছ (Informatics), শাৰীৰিক শিক্ষা (Physical Education) ইত্যাদি বিষয়ো ল'ব পাৰে। বাণিজ্য শাখাত অধ্যয়ন কৰাসকলে চাৰ্টাৰ্ড একাউণ্টেণ্ট (Chartered Accountant), কোম্পানী ছেক্ৰেটাৰী (Company Secretary), ব্যৱসায় ব্যৱস্থাপনা (Business Management), বেংকিং (Banking), ফাইনেন্স (Finance) ইত্যাদি বিষয়ত নিজৰ কেৰিয়াৰ গঢ়িব পাৰে। ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ মাজত অতি জনপ্ৰিয় শাখাটো হৈছে বিজ্ঞান শাখা। বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে আয়ুৰ্বিজ্ঞান (Medical Science), কম্পিউটাৰ বিজ্ঞান (Computer Science), ডিফেন্স ইঞ্জিনিয়াৰিং (Defence Engineering), কৃষি বিজ্ঞান (Agriculture), ইভ'লিউছনেল বায়'লজি (Evolutional Biology), পশু চিকিৎসা বিজ্ঞান (Veterinary Science) আদি বহুতো দিশত কেৰিয়াৰ গঢ়িব পাৰে যদিও চিকিৎসাবিজ্ঞান অধ্যয়নৰ বাবে পদাৰ্থ বিজ্ঞান (Physics), ৰসায়ন বিজ্ঞান (Chemistry) আৰু জীৱ বিজ্ঞান (Biology) আৰু ইঞ্জিনিয়াৰিঙৰ বাবে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু গণিত বিষয়টো থকাটো বাঞ্ছনীয়। ঠিক তেনেদৰে ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে কলা শাখাত অধ্যয়ন কৰিব পাৰে। কলা শাখাত অধ্যয়ন

কৰাসকলে ইয়াৰ বিভিন্ন বিষয়, যেনে—নৃতত্ত্ব বিজ্ঞান (Anthropology), মানৱ সম্পদ (Human Resource), পৰ্য্যটন (Tourism), সাহিত্য (Literature), পৰিবেশ্য কলা (Performing Arts) আদি বিষয়ত কেৰিয়াৰ গঢ়াৰ বাবে লগতে বিভিন্ন প্ৰশাসনিক সেয়াৰ পৰীক্ষাত অৱতীৰ্ণ হৈ IAS, IPS, IFS বিষয়া হিচাপে নিযুক্ত হ'ব পাৰে।

ঠিক তেনেদৰে দশম শ্ৰেণী বা হাইস্কুল শিক্ষান্ত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ডিপ্ল'মা পাঠ্যক্ৰম কৰিব পাৰে। বৰ্তমান সময়ত বহুতো আগশাৰীৰ চৰকাৰী তথা বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানে দশম শ্ৰেণী উত্তীৰ্ণসকলৰ বাবে বিভিন্ন ডিপ্ল'মা পাঠ্যক্ৰম আগ বঢ়াইছে। এনে ধৰণৰ ডিপ্ল'মাধাৰী ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন চৰকাৰী খণ্ডৰ উপৰি বেচৰকাৰী খণ্ডৰ লগতে নিজাকৈ স্বাধীন ব্যৱসায়েৰে নিযুক্ত হ'ব পাৰে। এনে ধৰণৰ কেইটামান উল্লেখযোগ্য ডিপ্ল'মা পাঠ্যক্ৰম হৈছে—অট'ম'বাইল ইঞ্জিনিয়াৰিং (Automobile Engineering), এগ্ৰিকালচাৰ ইঞ্জিনিয়াৰিং (Agricultural Engineering), আৰ্কিটেকচাৰ এছিছটেণ্টছিপ (Architecture Assistantship), বায়'মেডিকেল বায়'টেকন'লজি (Biomedical Biotechnology), বিজনেছ এডমিনিষ্ট্ৰেছন (Business Administration), চিভিল ইঞ্জিনিয়াৰিং (Civil Engineering), কেমিকেল ইঞ্জিনিয়াৰিং (Chemical Engineering), কম্পিউটাৰ ইঞ্জিনিয়াৰিং (Computer Engineering), এৰ'নেটিকেল ইঞ্জিনিয়াৰিং (Aeronautical Engineering), এপাৰেল ডিজাইন (Apparel Design), চেৰামিক টেকন'লজি (Ceramic Technology), ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিং (Electrical Engineering), বৈদ্যুতিক আৰু দূৰসংযোগ ইঞ্জিনিয়াৰিং (Electrical & Telecommunication Engineering), ফেছন ডিজাইনিং (Fashion Design), লেডাৰ টেকন'লজি (Leather Technology), গাৰমেণ্ট টেকন'লজি (Garment Technology), হেণ্ডলুম টেকন'লজি (Handloom Technology), ইত্যাদি। ইয়াৰ উপৰি দশম শ্ৰেণী উত্তীৰ্ণসকলে ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানে চমুকৈ ITIয়ে আগ বঢ়োৱা বিভিন্ন ডিপ্ল'মা পাঠ্যক্ৰম কৰিব পাৰে। সাধাৰণতে দুবছৰীয়া এই পাঠ্যক্ৰমৰ বাবে ITIয়ে আগ বঢ়োৱা বিষয়ৰ ভিতৰত আছে—ইলেকট্ৰিছিয়ান (Electricians), ফিটাৰ (Fiter), মেকানিক (Mechanic), ছাৰ্ভেয়ৰ (Surveyor), ইত্যাদি। ইয়াৰ বাহিৰেও ছাত্ৰ-ছাত্ৰীয়ে সৈনিক পদৰ বাবে ভাৰতীয় সৈন্য বাহিনীৰ বিভিন্ন পৰীক্ষাতো অৱতীৰ্ণ হ'ব পাৰে। ❖

## অপঘাতত মৃত্যুবৰণ কৰিছিল আৰ্কিমিডিছে

খৃষ্টপূৰ্ব ২২১ ৰ কোনোবা এটা দিনৰ কথা। গ্ৰীছ তেতিয়া ৰোমানসকলৰ দখলত। সেই দেশতে আছিল এজন প্ৰসিদ্ধ গণিতজ্ঞ, নাম আৰ্কিমিডিছ। অতি অন্যমনস্ক এইজন গণিতজ্ঞই কিবা এটা কাম কৰিবলৈ ল'লে সেইটো শেষ নোহোৱালৈকে খাৱন-শোৱন সকলো বাদ দিছিল। সেইজন গণিতজ্ঞকেই মাতি আনিবলৈ ৰোমান সেনাধ্যক্ষই সৈন্য পঠিয়ালে। সেই সময়ত আকৌ তেওঁ ঘৰৰ মজিয়াত বহি জ্যামিতিৰ জটিল সমস্যা এটা সমাধানৰ অৰ্থে কিছুমান ৰেখা আঁকি আছিল।

আৰ্কিমিডিছৰ বাহুত ধৰি সৈন্য এজনে ক'লে।

"আমাৰ সেন্যধ্যক্ষই তোমাক বিচাৰিছে তুৰন্তে ব'লা।"

"মোক এতিয়া আমনি নকৰিবা। দেখা নাই মই এতিয়া ব্যস্ত হৈ আছো।" আৰ্কিমিডিছে ক'লে।

মানুহজনৰ স্পৰ্দ্ধা দেখি সৈন্যজন খঙত জ্বলি-পকি উঠিল আৰু আৰ্কিমিডিছৰ ডিঙিত তৰোৱাল বহুৱাই দিলে।

এনেদৰেই সাধাৰণ সৈন্য এজনৰ হাতত বৰেণ্য গণিতজ্ঞজনৰ মৃত্যু হ'ল। ❖

**উৎস :** শান্তনু কৌশিক বৰুৱাৰ 'কোনে, কেতিয়া, ক'ত কেনেকৈ কি আবিষ্কাৰ কৰিছিল?'

## কুইজ

১। সদ্য প্ৰকাশিত 'অসমী আইলৈ প্ৰণাম' শীৰ্ষক লতা মংগেশকাৰৰ জীৱনৰ আধাৰত ৰচিত কিতাপখনৰ লেখক কোন?

২। নাছাই 'জেমছ ৱেব টেলিস্ক'প'ৰ সহায়ত বিগত এবছৰত সৌৰজগতৰ বাহিৰৰ প্ৰায় ২০০টা গ্ৰহ আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে আৰু ইয়াকে লৈ তেনে গ্ৰহৰ সংখ্যা হৈছেগৈ ৫২৩৫টা। সৌৰজগতৰ বাহিৰৰ এনে গ্ৰহক কি নামেৰে জনা যায়?

৩। সদ্যহতে অসম চৰকাৰলৈ হস্তান্তৰ কৰা ধুবুৰী জিলাৰ গৌৰীপুৰৰ ঐতিহাসিক 'হাৱামহল' কোনে নিৰ্মাণ কৰাইছিল?

৪। 'আৰ্টিফিচেল ইণ্টেলিজেন্স' (Artificial Intelligence) শব্দৰ প্ৰথম প্ৰয়োগৰ বাবে কোনজন বিজ্ঞানীক 'আৰ্টিফিচেল ইণ্টেলিজেন্স'ৰ ফাদাৰ বোলা হয়?

৫। কোনজন বিখ্যাত বিদ্ৰোহী নেতাৰ কন্যাক কেৰালাৰ মুখ্যমন্ত্ৰীয়ে প্ৰথম 'গৌৰী আম্মা আন্তঃৰাষ্ট্ৰীয় বঁটা' প্ৰদান কৰে?

৬। আমেৰিকাৰ টেক্সাছৰ আদালতত প্ৰথম মহিলা শিখ বিচাৰপতি হিচাপে দায়িত্ব গ্ৰহণ কৰি কোনগৰাকী মহিলাই ইতিহাস ৰচনা কৰিছে?

৭। কোন তিনিগৰাকী মহিলাই ৰঞ্জি ট্ৰফীৰ ইতিহাসত প্ৰথম মহিলা আম্পায়াৰ হোৱাৰ কৃতিত্ব অৰ্জন কৰে?

৮। চাঞ্চল্য সৃষ্টি কৰি ভাৰতীয় ছবি 'আৰ আৰ আৰ'ৰ 'নাটু নাটু' গীতটোৱে 'শ্ৰেষ্ঠ সংগীতৰ গ'ল্ডেন গ্ল'ব' বঁটা ২০২৩' পাবলৈ সক্ষম হয়। এই গীতটো ক'ত চিত্ৰায়ণ কৰা হৈছিল?

৯। চলিত বৰ্ষত মুম্বাইৰ বেটাৰ 'পৃথ্বি শ্ব'ৱে অসমৰ বিৰুদ্ধে ৩৭৯ ৰাণ সংগ্ৰহ কৰি ৰঞ্জি ট্ৰফীৰ ইতিহাসত দ্বিতীয় সৰ্বাধিক ব্যক্তিগত স্ক'ৰ কৰিবলৈ সক্ষম হয়। ৰঞ্জি ট্ৰফীত সৰ্বাধিক ব্যক্তিগত স্ক'ৰৰ অভিলেখ কোনজন ভাৰতীয় ক্ৰিকেটাৰৰ নামত আছে?

১০। টি-টুৱেণ্টিত শতক, লিষ্ট এ ক্ৰিকেটত দ্বি-শতক আৰু প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত ত্ৰি-শতক অৰ্জন কৰা ভাৰতীয় ক্ৰিকেটাৰ মাত্ৰ তিনিজন। তেওঁলোক কোন?

১১। কি উপলক্ষত ১২ জানুৱাৰীত সমগ্ৰ দেশত 'ৰাষ্ট্ৰীয় যুৱ দিৱস' পালন কৰা হয়?

১২। প্ৰথমজন অসমীয়া হিচাপে কোনে ২০২৩ বৰ্ষৰ 'নেশ্বনেল এণ্ডাউমেণ্ট ফৰ দ্য আৰ্টছ ফেল'শ্বিপ' সন্মান লাভ কৰিছে?

১৩। প্ৰথমবাৰৰ বাবে দিল্লীৰ 'কৰ্তব্যপথত' অনুষ্ঠিত হোৱা এইবাৰ গণৰাজ্য দিৱসৰ বিশেষত্ব কি?

১৪। অসমৰ কোন দুজন শিশুলৈ ২০২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় সাহসিকতা বঁটা প্ৰদান কৰা হৈছে?

১৫। কোনজন বিখ্যাত ব্যক্তিৰ নাম অনুসৰণ কৰি সদ্যপ্ৰয়াত ফুটবলৰ মহাতাৰকা 'পেলে'ৰ পিতৃয়ে তেওঁৰ নামকৰণ কৰিছিল?

১৬। সদ্যপ্ৰয়াত ফুটবলৰ সম্ৰাট পেলে কোনটো দলৰ হৈ ১৯৭৭ চনত কলকাতাত মোহন বাগান দলৰ বিৰুদ্ধে ফুটবল খেলত অংশগ্ৰহণ কৰিছিল?


১৭। প্ৰথমজন অসমীয়া পৰ্বতাৰোহী হিচাপে ৬ খন মহাদেশৰ ৬টা সৰ্বোচ্চ শিখৰ আৰোহণ কৰি বিৰল কৃতিত্ব অৰ্জন কৰা 'হেদায়ত আলী'য়ে আৰু কোনখন মহাদেশৰ কোনটো শিখৰ আৰোহণ কৰিবলৈ বাকী আছে?

১৮। কাটাৰ বিশ্বকাপত আৰ্জেণ্টিনা ফুটবল দলটোৰ 'কাটাৰ বিশ্ববিদ্যালয়'ৰ ছাত্ৰাবাসত আছিল। এই ছাত্ৰাবাসত লিঅ'নেল মেছি থকা ঘৰটো বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এতিয়া কি হিচাপে গঢ়ি তুলিছে? ❖

■ **সংগ্ৰহ : হিৰণ্য কলিতা**

# মানৱ উন্নয়ন সূচকাংক

■ প্ৰণীতা দেৱী



মানৱ উন্নয়ন মানে কি তাক একে আষাৰে কোৱা টান। ই মানুহৰ বিকাশৰ এক প্ৰক্ৰিয়াক সূচায়। ই এনে এটা প্ৰক্ৰিয়া যাৰ জৰিয়তে মানুহে সুস্থভাৱে জীৱন যাপন কৰাৰ লগতে শিক্ষা, স্বাস্থ্য ইত্যাদি সা-সুবিধাৰে জীৱন ধাৰণৰ মান উন্নত কৰিব পাৰে। মানৱ উন্নয়নে কেৱল অৰ্থনৈতিক উন্নয়নকে নুবুজায়। অৰ্থনৈতিক উন্নয়নৰ বিষয়টো আয়ৰ সৈতে জড়িত। কিন্তু মানৱ উন্নয়ন ধাৰণাটোৱে মানুহৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক বিকাশৰ যোগেদি জীৱন ধাৰণৰ মান বৃদ্ধিত গুৰুত্ব আৰোপ কৰে।

মানৱ উন্নয়ন এটা জটিল আৰু প্ৰত্যাহ্বানপূৰ্ণ বিষয়। বিশেষকৈ দ্ৰুত পৰিবৰ্তনশীল সাম্প্ৰতিক বিশ্বত সঘন পৰিবৰ্তিত ৰাজনৈতিক প্ৰেক্ষাপটত বিচৰা ধৰণৰ মানৱ উন্নয়ন সহজসাধ্য নহয়। মহামাৰী, প্ৰাকৃতিক দুৰ্য্যোগ আৰু বিভিন্ন নেতিবাচক কাৰকে আকাংক্ষিত উন্নয়ন সাধনত বাধাৰ সৃষ্টি কৰে। এই পৰিপ্ৰেক্ষিতত মানৱ উন্নয়ন সম্পৰ্কে আলোচনাৰ প্ৰসাংগিকতা আছে।

সম্প্ৰতি বিশ্বৰ বিভিন্ন দেশে মানৱ উন্নয়নৰ দিশটোত অধিক গুৰুত্ব আৰোপ কৰা দেখা গৈছে। ইয়াৰ বাবে বিভিন্ন ব্যৱস্থাও দেশসমূহে গ্ৰহণ কৰিছে। কিন্তু এই মানৱ উন্নয়ন জোখাৰ মাপকাঠী কি?

বৰ্তমান সময়ত এখন দেশৰ উন্নয়নৰ সামগ্ৰিক ছবিখন মানৱ উন্নয়ন সূচকাংকৰে বুজোৱা হয়। মানৱ উন্নয়ন সূচকাংক হৈছে এখন দেশৰ সামাজিক আৰু অৰ্থনৈতিক দিশৰ সামগ্ৰিক উন্নয়নক জোখাৰ বাবে ব্যৱহাৰ কৰা এটা সূচকাংক। কোনো এখন দেশৰ সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন নিৰ্ভৰ কৰে জনসাধাৰণৰ স্বাস্থ্য, শিক্ষা আৰু জীৱন ধাৰণৰ মানৰ ওপৰত।

পাকিস্তানৰ অৰ্থনীতিবিদ মেহবুব উল-হকে (Mahbub-Ul-Haq) সামগ্ৰিকভাৱে মানৱ উন্নয়ন জোখাৰ বাবে মানৱ উন্নয়নৰ সূচকাংক নিৰ্দ্ধাৰণ কৰিছিল। ১৯৯০ চনত ৰাষ্ট্ৰসংঘৰ উন্নয়ন কাৰ্য্যসূচী (United Nation Development Programme) বা UNDEP-এ এই সূচকাংক গ্ৰহণ কৰি প্ৰথমখন প্ৰতিবেদন প্ৰকাশ কৰিছিল। এই প্ৰতিবেদন প্ৰতি বছৰে প্ৰকাশ কৰা হয়। এই প্ৰতিবেদনত তিনিটা সূচকৰ ভিত্তিত দেশসমূহৰ মানৱ উন্নয়নত স্থান নিৰ্ণয় কৰি তালিকাভুক্ত কৰা হয়। এই সূচককেইটা হৈছে—প্ৰত্যাশিত আয়ুস, শিক্ষা আৰু জীৱন ধাৰণৰ মান। জন্মৰ সময়ত এটি শিশু যিমান বছৰলৈ জীয়াই থাকিব বুলি আশা কৰা হয়, অৰ্থাৎ এটি শিশুৰ সম্ভাব্য জীৱনকালেই হ'ল প্ৰত্যাশিত আয়ুস। উন্নত দেশবোৰত এই প্ৰত্যাশিত আয়ুস অধিক হোৱাৰ বিপৰীতে অনুন্নত দেশবোৰত কম হয়। দ্বিতীয়টো সূচক শিক্ষাই শিক্ষা গ্ৰহণৰ সম্ভাব্য কালছোৱাৰ লগতে এখন দেশৰ ২৫ বছৰ বা তাতোকৈ ঊৰ্দ্ধৰ লোকসকলৰ শিক্ষা গ্ৰহণ কৰা গড় কালছোৱাক সূচায়। আনহাতে মানৱ উন্নয়নৰ তৃতীয়টো সূচক হৈছে জীৱন ধাৰণৰ মান। ই নিৰ্ভৰ কৰে আয়ৰ পৰিমাণৰ ওপৰত। জীৱন ধাৰণৰ মান নিৰ্ণয় কৰা হয় মুঠ ৰাষ্ট্ৰীয় আয়ৰ পৰা নিৰ্ণয় কৰা জনমুৰি আয়ৰ (Gross National Income Per capita) ভিত্তিত।

## নিবন্ধ

মানৱ উন্নয়ন প্ৰতিবেদন প্ৰকাশৰ ২০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ২০১০ চনত প্ৰকাশিত প্ৰতিবেদনত তিনিটা নতুন ধাৰণা সন্নিৱিষ্ট কৰা হয়। সেইকেইটা হ'ল—বৈষম্য সাপেক্ষ মানৱ উন্নয়ন সূচকাংক, লিংগ বৈষম্য সূচকাংক আৰু বহুমাত্ৰীয় দৰিদ্ৰ সূচকাংক। বৈষম্য সাপেক্ষ মানৱ উন্নয়ন সূচকাংকই মানৱ উন্নয়নৰ প্ৰভাৱ বিভিন্ন শ্ৰেণীৰ লোকৰ ওপৰত কিদৰে পৰিছে তাক সূচায়। লিংগ বৈষম্য সূচকাংকই মানৱ উন্নয়নৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ মাজত থকা অসমতা প্ৰতিফলিত কৰে। আনহাতে বহুমাত্ৰীয় দৰিদ্ৰ সূচকাংকই দৰিদ্ৰতাৰ বহুৰূপী চৰিত্ৰ প্ৰতিফলিত কৰে। ইয়াত মানুহ বিভিন্ন পৰ্য্যায়ত কিদৰে আৰ্থ-সামাজিক সুবিধাসমূহৰ পৰা বঞ্চিত হ'বলগীয়া হয় তাৰ ইংগিত পোৱা যায়।

১৯৯০ চনৰ পৰা প্ৰতি বছৰে মানৱ উন্নয়ন সূচকাংক ঊৰ্দ্ধগামী হৈ অহাৰ বিপৰীতে যোৱা দুটা বছৰত ই নিম্নগামী হৈছে। ভাৰতৰ স্থানো নিম্নগামী হৈছে। ক'ভিড-১৯এ সৃষ্টি কৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যোৱা দুটা বছৰত বিশ্ব প্ৰেক্ষাপটত মানৱ উন্নয়ন সূচকাংক নিম্নগামী হোৱা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ প্ৰকাশ পোৱা ২০২২ চনৰ প্ৰতিবেদন অনুসৰি মানৱ উন্নয়ন সূচকাংকৰ ক্ষেত্ৰত শীৰ্ষস্থান লাভ কৰা তিনিখন দেশ হ'ল ক্ৰমে—ছুইজাৰলেণ্ড, নৰৱে আৰু আইচলেণ্ড। এই প্ৰতিবেদন অনুসৰি ভাৰত তালিকাৰ ১৩২ নং স্থানত আছে। ২০২০ চনৰ প্ৰতিবেদনত ভাৰতৰ স্থান আছিল ১৩০।

মানৱ উন্নয়ন সূচকাংকই মানৱ উন্নয়নৰ মান নিৰূপণৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰে যদিও সামগ্ৰিকভাৱে সমালোচনাৰ ঊৰ্দ্ধত নহয়। কিছু কিছু ক্ষেত্ৰত থকা সীমাবদ্ধতা আৰু ত্ৰুটিৰ আশংকা কৰি ই প্ৰকৃতাৰ্থত উন্নয়নৰ ছবিখন প্ৰতিফলিত কৰিব নোৱাৰে বুলি সমালোচকসকলে ক'ব খোজে। ❖

## বৰেণ্য সাহিত্যিক

# এনিড ব্লাইটন

■ জ্যোতিৰূপা দাস

ইংৰাজী শিশু সাহিত্যত এনিড ব্লাইটন এটা অতি পৰিচিত নাম। কাল্পনিক আৰু ৰহস্যময় সৃষ্টিৰাজিৰে বিশ্বৰ অগণন শিশুৰ মনোজগতত খলকনি তোলা এনিড ব্লাইটনৰ সম্পূৰ্ণ নাম এনিড মেৰী ব্লাইটন।

১৮৯৭ চনৰ ১১ আগষ্টত লণ্ডনত জন্মলাভ কৰা এনিড ব্লাইটনৰ পিতৃ টমাছ কেৰী ব্লাইটন এজন ব্যৱসায়ী আছিল। এনিডৰ জন্মৰ পাছত পিতৃ টমাছ আৰু মাতৃ টেৰেছাই কেণ্টৰ বেকনহামলৈ স্থানান্তৰিত হৈছিল। বেকনহামৰ 'ছেইণ্ট খ্ৰীষ্ট'ফাৰ স্কুল ফ'ৰ গাৰ্লছ'ত এনিডৰ শিক্ষা জীৱনৰ আৰম্ভণি হৈছিল। এনিডৰ ব্যৱসায়ী পিতৃ টমাছ এজন প্ৰকৃতিপ্ৰেমী আছিল। তেওঁৰ চৰাই, ফুল, জীৱ-জন্তু সম্পৰ্কে প্ৰচুৰ জ্ঞান আছিল। তেওঁ কন্যা এনিডকো সৰুৰে পৰা জীৱনমুখী জ্ঞান আৰু শিক্ষাৰে সমৃদ্ধ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ এনিডক প্ৰায়েই কৈছিল যে জীৱনত কিবা এটা লাভ কৰিবলৈ হ'লে মানুহে কঠোৰ পৰিশ্ৰম কৰিবই লাগিব। পিতৃৰ পৰা পোৱা জ্ঞান আৰু প্ৰেৰণাৰ ফলস্বৰূপে এনিডে বিদ্যালয়ত এগৰাকী কৃতি ছাত্ৰী হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে খেল-ধেমালি আৰু সাংস্কৃতিক দিশতো নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল।

এনিডৰ বাৰ বছৰ বয়সত তেওঁৰ পিতৃ-মাতৃৰ বিবাহ বিচ্ছেদ হয় আৰু এনিড মাতৃৰ লগত থাকিবলৈ লয়। এনিডৰ মাতৃ টেৰেছা এগৰাকী অতি সাধাৰণ মহিলা আছিল। তেওঁ পঢ়া-শুনা, লিখা-মেলা ইত্যাদিক



সময়ৰ অপচয় বুলিহে গণ্য কৰিছিল। সেই সময়ত দেউতাকৰ পৰা আঁতৰি মাকৰ লগত থাকিবলৈ লোৱা এনিড মানসিকভাৱে ভাগি পৰিছিল। মাকৰ আপত্তি সত্ত্বেও এনিডে সাহিত্য চৰ্চা কৰিবলৈ আৰম্ভ কৰিলে আৰু নিজৰ লিখনিবোৰ বিভিন্ন কাকত-আলোচনীলৈ প্ৰেৰণ কৰিবলৈ আৰম্ভ কৰিলে। আৰম্ভণিতে কোনো কাকত-আলোচনীত লিখনিবোৰ প্ৰকাশ হোৱা নাছিল বাবে এনিড অলপ নিৰাশ হৈছিল। কিন্তু পাছলৈ বিশেষকৈ ১৯২০ চনমানৰ পৰা বিভিন্ন বাতৰি কাকত আৰু আলোচনীত এনিড ব্লাইটনৰ গল্প-কবিতা প্ৰকাশিত হৈছিল। তেওঁৰ প্ৰথমখন গ্ৰন্থ ‘চাইল্ড হুইছপাৰছ’ (Child Whispers) ১৯২২ চনত প্ৰকাশ পাইছিল। প্ৰাকৃতিক সৌন্দৰ্য্য, ল’ৰালি কাল আৰু পৰীৰ জগতৰ ওপৰত ৰচিত ২৮টা কবিতাৰ সংকলন এই গ্ৰন্থখন পাঠকৰ মাজত বহুলভাৱে সমাদৃত। ১৯২৬ চনত প্ৰকাশিত ব্লাইটনৰ উপন্যাস ‘দি বুক অৱ ব্ৰাউনিজে’ (The Book of Brownies) শিশুৰ মনোজগতত বিশেষভাৱে সাঁচ বহুৱাইছিল। কিতাপখনত সহজ শব্দৰ প্ৰয়োগ আৰু সাৱলীল বৰ্ণনাই শিশুসকলৰ মনত সহজেই চৰিত্ৰবোৰ অংকিত কৰে। ৰহস্যঘন অভিযানমূলক ঘটনাৰে সমৃদ্ধ ব্লাইটনৰ এইখন উপন্যাস আজিও জনপ্ৰিয়। ব্লাইটনে বিভিন্ন আলোচনীত উপন্যাস চিৰিজ লিখিছিল। তাৰ ভিতৰত ‘ছানী ষ্ট’ৰীজ্ ফ’ৰ লিট্‌ল ফ’কছ্’ (Sunny Stories for Little Folks), ‘ন’ডী ছিৰিজ’ (Noddy Series) আদি অন্যতম। ‘ছিক্ৰেট আইলেণ্ড’ (Secret Island), ‘প’ল ষ্টাৰ ফেমিলী এণ্ড শ্বিপ অৱ এডভেঞ্চাৰ’ (Pole Star Family and Ship of Adventure), ‘কুইন এলিজাবেথ ফেমিলী’ (Queen Elizabeth Family) ইত্যাদি তেওঁৰ আন কেইখনমান উল্লেখযোগ্য গ্ৰন্থ। ১৯৫২ চনত ব্লাইটনে তেওঁৰ আত্মজীৱনী ‘দি ষ্ট’ৰী অৱ মাই লাইফ’ (The Story of My Life) প্ৰকাশ কৰি উলিয়ায়।

ব্লাইটনৰ গল্প-কবিতাবোৰ শিশুসকলে ভালপোৱাৰ মূল কাৰণ হ’ল তেওঁৰ চৰিত্ৰসমূহৰ সাহসিক ৰহস্যময় অভিযানবোৰ। তেওঁৰ বেছিভাগ কিতাপত মূল চৰিত্ৰবোৰে নিজৰ কৌতূহলী স্বভাৱৰ বাবে কেতিয়াবা বিপদৰ সন্মুখীন হ’বলগীয়া হয় আৰু তেনে বিপদৰ পৰা পৰিত্ৰাণো পায়। তদুপৰি ব্লাইটনৰ গল্পসমূহত পৰিয়ালৰ সদস্যৰ লগতে বিভিন্ন পোহনীয়া জন্তু আৰু চৰাইৰ উল্লেখ পোৱা যায়। ইয়াৰ যোগেদি তেওঁ শিশুসকলক নিজৰ পৰিয়াল আৰু জীৱ-জন্তুক ভালপোৱাৰ শিক্ষা দিছে।

নিজৰ সৃষ্টিৰাজিৰে ইংৰাজী শিশু সাহিত্যৰ ভঁৰাল চহকী কৰা এনিড ব্লাইটনৰ গ্ৰন্থবোৰ পৃথিৱীৰ আন ৯০টা ভাষালৈ অনূদিত হৈছে। ১৯৬৮ চনৰ ২৮ নৱেম্বৰত মৃত্যু বৰণ কৰা এইজনা বিখ্যাত সাহিত্যিকৰ কৰ্মৰাজি আজিও বিশ্বৰ শিশুসকলৰ মাজত সমানেই জনপ্ৰিয় হৈ আছে।❖

## তোমালোকৰ বাবে প্ৰশ্ন (ফেব্ৰুৱাৰী)

১। বিশ্বৰ বৃহত্তম পুথিভঁৰালটোৰ নাম কি?

২। বিশ্বৰ বৃহত্তম যাদুঘৰটো ক’ত আছে?


৩। বিশ্বৰ আটাইতকৈ দ্ৰুতবেগী চৰাই কোনবিধ?

৪। বিশ্বৰ বৃহত্তম মন্দিৰ কোনটো?

৫। বিশ্বৰ বৃহত্তম জলচৰ প্ৰাণী কোনবিধ?

# পোক-পতংগ আৰু পৰিৱেশৰ সম্পৰ্ক

■ **ৰাণু বুজৰবৰুৱা**



আমাৰ পৃথিৱীখন নানান ধৰণৰ গছ-গছনি, ৰং-বিৰঙৰ ফল-ফুলেৰে ভৰি আছে। এইবোৰে পৃথিৱীখনক মনোমোহা ৰূপত সজাই ৰাখিছে। এই গছ-গছনিয়ে যোগান ধৰা অক্সিজেন আৰু খাদ্যৰ দ্বাৰা আন প্ৰাণীবোৰ জীয়াই আছে। কিন্তু এই গছ-গছনিবোৰক জীয়াই থকাত কোনে সহায় কৰে জানানে? আচৰিত লাগিলেও সঁচা যে বিভিন্ন প্ৰকাৰৰ পোক-পতংগই উদ্ভিদক জীয়াই থকাত সহায় কৰে। দৰাচলতে আমাৰ চাৰিওফালৰ পৰিস্থিতিতন্ত্ৰটো সুস্থিৰ হৈ থকাত পোক-পতংগবোৰে মুখ্য ভূমিকা লয়। ইহঁতে অবিৰতভাৱে মাটি সাৰুৱা কৰে, বায়ু আৰু পানী বিশুদ্ধ কৰাৰ লগতে অপকাৰী ঘাঁহ-বন, পোক-পতংগও খায়। এই বিষয়ে আলোচনা কৰাৰ আগতে প্ৰথমে পোক-পতংগবোৰনো কি? ইহঁতৰ থকা ঠাই, খাদ্যাভ্যাস আদিৰ বিষয়ে কিছু কথা জানি লওঁ।

পোক-পতংগবোৰ পৃথিৱীৰ অতি প্ৰাচীন জীৱবোৰৰ অন্যতম। ইহঁত সন্ধিপদী (জোৰা লগা ঠেং থকা) পৰ্বৰ অন্তৰ্গত প্ৰাণী। প্ৰায় ৩৬ কোটি বছৰ আগতে পৃথিৱীত পোক-পতংগৰ প্ৰথম আৱিৰ্ভাৱ হৈছিল বুলি অনুমান কৰা হয়। পোক-পতংগৰ তুলনাত আমি মানুহবোৰ পৃথিৱীত একেবাৰে নতুন।

পৃথিৱীৰ জীৱিত প্ৰাণীবোৰৰ ভিতৰত প্ৰায় ৮০ শতাংশ প্ৰাণীয়ে পোক-পতংগ। বিজ্ঞানীসকলে প্ৰায় ১ মিলিয়ন প্ৰজাতিৰ পোক-পতংগৰ নামকৰণ কৰিছে। তেওঁলোকে অনুমান কৰে যে এতিয়ালৈ কেইবা মিলিয়ন পোক-পতংগ আৱিষ্কাৰ হ'বলৈ বাকী আছে আৰু হয়তো কেইবা লাখ প্ৰজাতি ইতিমধ্যে পৃথিৱীৰ পৰা নোহোৱা হৈ গৈছে।

পৃথিৱীৰ প্ৰায় সকলো ঠাইতে পোক-পতংগ পোৱা যায়। পৰ্বত-ভৈয়াম, ডাঠ বনাঞ্চল, মৰুভূমি, পুখুৰী, হ্ৰদ, সাগৰ, বৰফাবৃত ঠাই সকলোতে পোক-পতংগ পোৱা যায়।

পোক-পতংগই গছৰ পাত, পৰাগৰেণু, বাকলি, ফুল-ফল, শেলাই, লাইকেন, ভেঁকুৰ, মাছ, মাংস আদি খায়। অৰ্থাৎ ইহঁত সৰ্বভোজী প্ৰাণী। উকহ, ওকণি, মহ আদিবোৰ আকৌ পৰজীৱী।

এতিয়া প্ৰশ্ন হ'ল এই সৰু-বৰ, নানান ৰং-বিৰঙৰ পোক-পতংগবোৰে পৰিৱেশ ৰক্ষাৰ ক্ষেত্ৰত কিনো ভূমিকা লয়? অবিশ্বাস্য হ'লেও এইটো ঠিক যে যদিহে কিবা কাৰণত পৃথিৱীৰ সকলো পোক-পতংগই নোহোৱা হৈ যায়, আমাৰ এই ধুনীয়া পৃথিৱীখন জীৱবিহীন হৈ পৰিব।

পৃথিৱীৰ প্ৰায় ৮০ শতাংশ গছ-গছনি সপুষ্পক। পৰাগযোগ প্ৰক্ৰিয়া উদ্ভিদৰ বংশ বিস্তাৰৰ বাবে অতি প্ৰয়োজনীয়। বিভিন্ন ধৰণৰ ফল-মূল, শস্য, শাক-পাচলি

উৎপাদনৰ বাবেও পৰাগযোগ অপৰিহাৰ্য্য। এই পৰাগযোগ প্ৰক্ৰিয়াৰ প্ৰায় ৭৫ শতাংশ সংঘটিত হয় পোক-পতংগৰ দ্বাৰা। গতিকে তৃণভোজী প্ৰাণীবোৰ পৰোক্ষভাৱে পোক-পতংগৰ ওপৰত নিৰ্ভৰশীল। আকৌ বিভিন্ন চৰাই, উভচৰ প্ৰাণীসমূহৰ প্ৰত্যক্ষ আহাৰ হ'ল বিভিন্ন পোক-পতংগ। শস্য বা ফল খোৱা বহুতো চৰায়ে নিজৰ পোৱালিক পোক-পতংগও খুৱায়। মাছবোৰেও পানীত থকা পোক-পতংগ খায়।

আমি সাধাৰণতে শগুন, কাউৰী আদিয়ে মৃত জীৱৰ দেহ খাই চাফা কৰে বুলি জানো। কিন্তু পোক-পতংগয়ো এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লয়। যিকোনো প্ৰাণী আৰু উদ্ভিদৰ মৃতদেহ, গেলা-পচা বস্তু, বিভিন্ন প্ৰাণীৰ মল-গোবৰ আদি খাই ঠাইসমূহ পৰিষ্কাৰ কৰে। লগতে ইহঁতে কিছুমান অপকাৰী ঘাঁহ-বন আৰু পোক-পতংগ খাই মানুহ আৰু আন প্ৰাণীৰ উপকাৰ কৰে।

পোক-পতংগৰ আন এটা উল্লেখযোগ্য অৱদান হ'ল, মাটিত গাঁত বা সুৰুঙা কৰি থকা পোক-পতংগবোৰে মাটি ওপৰ-তল কৰি তাত থকা অণুপোষকবোৰ (Nutrients) মাটিত ভালদৰে মিহলি হোৱাত সহায় কৰে। মাটি কোমল কৰাৰ উপৰি পোক-পতংগই দেহৰ পৰা বৰ্জন কৰা পদাৰ্থবোৰে মাটিত হিউমাছৰ পৰিমাণ বৃদ্ধি কৰে।

অৱশ্যে কিছুমান অপকাৰী পোক-পতংগও আছে। সেইবোৰে শস্য, শাক-পাচলি, ফলমূল নষ্ট কৰাৰ উপৰি বিভিন্ন ৰোগৰ বীজাণু কঢ়িয়ায়। তেনেকুৱা অপকাৰী পোক-পতংগ কিছুমান হ'ল কাকতি ফৰিং, উঁই পৰুৱা, মহ, মাখি আদি। কিন্তু ইহঁতৰ উপকাৰৰ তুলনাত অপকাৰ একেবাৰে নগণ্য।

ৰং-বিৰঙৰ পাখিৰে, গুণ গুণ, চিঁ চিঁ শব্দৰে, নিজৰ দেহৰ জিলিকনিৰে প্ৰকৃতি সুন্দৰ কৰি ৰখা পোক-পতংগবোৰ প্ৰকৃতিৰ অপৰিহাৰ্য্য অংগ। কিন্তু জনসংখ্যা বৃদ্ধিৰ লগে লগে বনাঞ্চল ধ্বংস, কৃষিভূমিৰ বৃদ্ধি আদিৰ বাবে পোক-পতংগৰ সংখ্যা হ্ৰাস পাইছে। কৃষিকাৰ্য্যত যথেষ্ট পৰিমাণে কীটনাশক ৰাসায়নিক সাৰ আদি ব্যৱহাৰৰ ফলত পোক-পতংগবোৰ মৃত্যুমুখত পৰিছে। ইহঁতৰ বাসস্থানৰ অভাৱ হৈছে। এইটো সমগ্ৰ বিশ্বৰ বাবে চিন্তাজনক। কাৰণ আমি এটা কথা সদায় মনত ৰখা উচিত যে মানুহৰ অবিহনে পোক-পতংগ জীয়াই থাকিব কিন্তু পোক-পতংগ অবিহনে মানুহ জীয়াই থাকিব নোৱাৰিব। ❖

## ভাৰতৰ 'বংগ' ৰাজ্যক কিয় 'পশ্চিম বংগ' বুলি কোৱা হয়?




ভাৰতত প্ৰকৃততে বংগ বুলি এখন ৰাজ্যই আছিল। ১৯০৫ চনত লৰ্ড কাৰ্জনৰ দিনত বৃটিছ ভাৰতৰ বংগ প্ৰদেশক (Bengal Province) দুভাগ কৰি পশ্চিম আৰু পূৰ্ব বংগ নাম দিয়া হ'ল। ১৯১১ চনত, ৰজা পঞ্চম জৰ্জৰ ভাৰত ভ্ৰমণৰ সময়ত এই বিভাজন বিলুপ্ত কৰা হ'লেও, নাম দুটা তেনেদৰেই ব্যৱহাৰ হৈ থাকিল। ১৯৪৭ চনৰ ভাৰত বিভাজনৰ সময়ত বংগ প্ৰদেশৰ পূব অংশ পাকিস্তানৰ অন্তৰ্ভুক্ত হয় আৰু তাৰ নাম পূব পাকিস্তান ৰখা হয়। ১৯৭১ চনত পূব পাকিস্তানে স্বাধীনতা লাভ কৰে আৰু বাংলাদেশ নামৰ নতুন স্বাধীন ৰাষ্ট্ৰখনৰ জন্ম হয়। তৎসত্ত্বেও ভাৰতত অৱস্থিত বংগ ৰাজ্যৰ নাম পশ্চিম বংগই থাকি যায়। এতিয়া অৱশ্যে পূৰ্ব বংগৰ কোনো অস্তিত্ব নাই। ❖

**উৎস :** শান্তনু কৌশিক বৰুৱাৰ 'কি, কিয়, কেনেকৈ?'

# লন বলৰ বিষয়ে

■ মানস জ্যোতি শইকীয়া

২০২২ বৰ্ষৰ বাৰ্মিংহাম কমনৱেলথ গেমছত অসমৰ নয়নমণি শইকীয়াই লন বল নামৰ এবিধ খেলত ভাৰতৰ হৈ দলীয়ভাৱে সোণৰ পদক লাভ কৰাৰ পাছতে 'লন বল' খেলবিধে অসম মুলুকত অধিক চৰ্চা লাভ কৰে। অসমে পূৰ্বতেও ৰাষ্ট্ৰীয় পৰ্য্যায়ত লন বলত সফলতা লাভ কৰিছিল যদিও এইবাৰৰ দৰে চৰ্চিত হোৱা নাছিল।

অসমৰ গাঁৱে-ভূঞে অতি জনপ্ৰিয় মাৰ্বল খেল অলপ লন বলৰ দৰে। বেলেগ বেলেগ ঠাইতো লন বলৰ দৰে একে ধৰণৰ খেলৰ প্ৰচলনৰ প্ৰমাণ পোৱা গৈছে। চাবলৈ গ'লে সকলো খেলেই ঠাইবিশেষৰ থলুৱা খেল। সময়ৰ এইবোৰ সোঁতত ঠাই বাগৰি নিয়মেৰে বান্ধ খাই মানুহৰ মাজত ক্ৰমাৎ জনপ্ৰিয় হৈ উঠে। প্ৰায় ৭০০০ বছৰৰ আগতে নীল নদীৰ পাৰত মিছৰৰ (আজিৰ ইজিপ্ত) লোকসকলে প্ৰথমে লন বল খেলাৰ প্ৰমাণ পোৱা গৈছিল। তেওঁলোকে লক্ষ্য হিচাপে এডাল লাঠী পুতি লৈছিল আৰু লোহাৰ গোলাকৃতিৰ বলেৰে লক্ষ্যভেদ কৰাৰ যত্ন কৰিছিল। অৱশ্যে এই খেল ঘাঁহনিৰ (বা লন) সলনি শুকান মাটিত খেলিছিল। মিছৰৰ পৰা ভূমধ্য সাগৰ পাৰ কৰি এই খেল ৰোমানসকলে ইউৰোপলৈ আনে। তেওঁলোকৰ পৰাই ফ্ৰান্স, ইংলণ্ড আদি দেশত এই খেলে নিজ নিজ নিয়ম আৰু নতুন ৰূপেৰে জনপ্ৰিয়তা লাভ কৰে। প্ৰবাদ আছে যে ইংলণ্ডত এই খেলে ইমানেই জনপ্ৰিয়তা লাভ কৰিছিল যে ৰজাৰ সৈন্যসকলে যুদ্ধোভ্যাসৰ সলনি কেৱল লন বল খেলাতে মছগুল হৈ থাকিছিল। সেয়ে দ্বাদশ শতাব্দীত ৰজা এডৱাৰ্ড তৃতীয়ই লন বলৰ ওপৰত ইংলণ্ডত নিষেধাজ্ঞা আৰোপ কৰে। এই নিষেধাজ্ঞা অষ্টাদশ শতিকালৈকে বাহাল থাকে যদিও ৰাজ পৰিয়ালকে ধৰি ইংলণ্ডৰ অভিজাত শ্ৰেণীটোৰ মাজত এই খেল সদায়ে প্ৰচলিত হৈ আছিল। আনকি, সাধাৰণ মানুহৰ মাজতো লুকাই-চুৰকৈ হ'লেও এই খেলবিধ জীয়াই আছিল। ৰাণী ভিক্টৰিয়াই ১৮৪৫ চনত নিষেধাজ্ঞা আনুষ্ঠানিকভাৱে উঠাই লোৱাৰ পাছত লন বল সাধাৰণ মানুহৰ মাজত পূৰ্বৰ দৰে জনপ্ৰিয় হৈ উঠে। ইংলণ্ডৰ সাম্ৰাজ্যবাদে নতুন প্ৰসাৰ আৰু বিস্তৃতি পোৱাৰ লগে লগে লন বল নতুন নতুন ঠাই, যেনে—আমেৰিকা, কানাডা, অষ্ট্ৰেলিয়া, ভাৰত আদি দেশতো প্ৰচলিত হ'বলৈ ধৰে।

আধুনিক সময়ত ঘাঁহ কাটিবলৈ যান্ত্ৰিক সঁজুলি (laon mower) আৱিষ্কৃত হোৱাৰ লগে লগে লন বল খেলিবলৈ মিহি ঘাঁহনি প্ৰস্তুত কৰিবলৈ যথেষ্ট সহজ হৈ পৰে। ইয়ে লন বলৰ নিয়ম-কানুন স্থিৰ কৰিবলৈও উৎসাহিত কৰে। ইতিমধ্যে আমেৰিকা আৰু কানাডাৰ বিভিন্ন চহৰত লন বলৰ বিভিন্ন ক্লাব প্ৰতিষ্ঠা কৰি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। স্কটলেণ্ডৰ গ্লাছগ' চহৰত ১৮৪৮ চনত প্ৰায় ২০০ জনতকৈ অধিক লন বল খেলুৱৈ মিলিত হৈ কিছুমান নিৰ্দিষ্ট নিয়ম বান্ধি লন বলক সংজ্ঞাবদ্ধ ৰূপ দিয়ে। ১৮৬৪ চনত গ্লাছগ'ৰ কপাহ ব্যৱসায়ী উইলিয়াম ৱালেছ মিছেনে এই সম্পৰ্কে এখন কিতাপ প্ৰকাশ কৰি উলিয়ায়। ইয়াত লিপিবদ্ধ নিয়মসমূহেই আধুনিক লন বলৰ সূচনা কৰে।

১৯৩০ চনৰ প্ৰথম কমনৱেলথ গেমছত লন বলে স্থান লাভ কৰে। ইয়ে লন বলৰ প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি। অৱশ্যে বহু বছৰৰ পাছত ১৯৮৮ চনতহে লন বলে ছিউ'ল অলিম্পিকত স্থান পায়। ২০ খন দেশে ভাগ লোৱা এই প্ৰতিযোগিতাখন প্ৰদৰ্শনীমূলকহে আছিল। কিন্তু যুৱ প্ৰজন্মৰ মাজত জনপ্ৰিয় নোহোৱা হেতুকে আৰু মনোৰঞ্জনৰ অভাৱত লন বলৰ বিশেষ বাণিজ্যকৰণ নঘটাৰ অজুহাততে অলিম্পিক কমিটিয়ে লন বলক অলিম্পিকত স্থান দিয়াৰ পৰা বিৰত থকা হ'ল। শেহতীয়া টকিঅ' অলিম্পিকটো লন বলে স্থান পোৱা নাছিল।

লন বল বৃহৎ আয়তাকৃতিৰ ঘাঁহনিত খেলা হয়।

## ক্ৰীড়াংগন

অৰশ্যে আজিকালি কৃত্ৰিম ঘাঁহনিও ব্যৱহাৰ কৰা হয়। বল দুই প্ৰকাৰৰ থাকে। এবিধ আকাৰত ডাঙৰ, গোলাকৃতিৰ যদিও কাষটো অলপ মিহি। ইয়াৰ ব্যাস সাধাৰণতে ১১২ মিমি.ৰ পৰা ১৩৪ মিমি. আৰু ওজন ১.৫৯ কিগ্ৰা.ৰ হয়। অন্যবিধ বল আকাৰত সৰু আৰু ইয়াক জেক (Jack) বা কিটি (Kitty) বোলা হয়। একক, দ্বৈত বা দলীয় প্ৰতিটো শাখাতে ঘাঁহনিৰ সোঁমাজত ৰাখি থোৱা জেক বলটোৰ ওচৰলৈ ডাঙৰ বলটো অলপ দূৰৰ পৰা দলিয়াব লাগে। যিমানে কাষ চাপিব, সিমানেই বেছি পইণ্ট পাব। এই ক্ষেত্ৰত প্ৰতিপক্ষৰ বলবোৰক খুন্দিয়াই আঁতৰাবও পাৰি। ডাঙৰ বলটোৰ কাষটো মিহি হয় বাবে চোঁচৰাই দলিয়াই দিওঁতে ই সদায়ে বক্ৰ পথেৰেহে গতি কৰে। প্ৰতিটো দলেই জেকৰ চাৰিওফালে ঘূৰণীয়াকৈ থিয় হৈ ১৮ বাৰকৈ বল দলিয়াব লাগে। ১৮ বাৰ দলিওৱাৰ পাছত যি দলে সৰ্বাধিক পইণ্ট লাভ কৰে, সেইটো দলকে বিজয়ী ঘোষণা কৰা হয়।



১৯৩০ চনৰ প্ৰথম কমনৱেলথ গেমছৰ পৰাই প্ৰতিটো সংস্কৰণতে লন বল অন্তৰ্ভুক্ত কৰি অহা হৈছে। কেৱল ইংলণ্ড, অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাই মিলি এতিয়ালৈকে ১৫০তকৈ অধিক পদক লাভ কৰি আধিপত্য বৰ্তাই ৰখাৰ পাছত এইবাৰ ভাৰতৰ মহিলা দলে সোণৰ পদক লাভ কৰাটো সঁচাকৈয়ে উল্লেখনীয় সাফল্য। ইয়ে অনাগত দিনত ভাৰত তথা অসমৰ নতুন প্ৰজন্মৰ মাজত লন বলক অধিক জনপ্ৰিয় কৰিব বুলি আশা কৰিব পাৰি।

দেখাত সহজ তথা নিস্তেজ যেন লাগিলেও লন বল খেলিবলৈ প্ৰচুৰ একাগ্ৰতা আৰু অভ্যাসৰ প্ৰয়োজন। হেলনীয়া আয়তাকাৰ ঘাঁহনিত কিমান জোৰেৰে আৰু কোনটো দিশেৰে চোঁচৰাই দলিয়ালে ঘাঁহনিৰ ঘৰ্ষণ নেওচি বক্ৰ পথেৰে আহি লক্ষ্যত উপনীত হৈ ‘পইণ্ট’ লাভ কৰিব, তাৰ বাবে গাণিতিক হিচাপ-নিকাচৰো প্ৰয়োজন হয়। ❖

# কুইজৰ উত্তৰসমূহ

১) প্ৰাগ নিউজৰ সহযোগী সম্পাদক দেৱজিত ভূঞা। ২। এক্সোপ্লেনেট। ৩। ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা (১৯০৪ চনৰ পৰা ১৯১৪ চনলৈ)। ৪। আমেৰিকান বিজ্ঞানী ‘জন মেক্কাৰ্টী’ক। ৫। লেটিন আমেৰিকাৰ বিদ্ৰোহী কমিউনিষ্ট নেতা চে গুৱেভাৰাৰ কন্যা এলেইডা গুৱেভাৰাক। ৬। মনপ্ৰীত মণিকা। তেওঁ টেক্সাছৰ ল’ নম্বৰ ৪ৰ হেৰিছ কাউণ্টীৰ চিভিল আদালতত ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। ৭। বৃন্দা ৰথি, জননী নাৰায়ণ আৰু গায়ত্ৰী বেনুগোপালন। ৮। যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেনস্কিৰ চৰকাৰী বাসভৱনত। ৯। ভাউছাহেব নিম্বালকাৰৰ নামত। তেওঁ ১৯৪৮ চনত মহাৰাষ্ট্ৰৰ হৈ কাথিৱাৰৰ বিৰুদ্ধে ৪৪৩ ৰানৰ ইনিংছ খেলিছিল। ১০। ৰোহিত শৰ্মা, বীৰেন্দ্ৰ সেৱাগ আৰু পৃথ্বি শ্ব’। ১১। ভাৰতৰ প্ৰসিদ্ধ আধ্যাত্মিক গুৰু ‘স্বামী বিবেকানন্দ’ৰ ১৬০ সংখ্যক জন্মদিন উপলক্ষে। ১২। আৰুণি কাশ্যপ। তেওঁ বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইউনিভাৰ্ছিটি অব জৰ্জিয়াৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক হিচাপে কৰ্মৰত। ১৩। এইবাৰৰ গণৰাজ্য দিৱসৰ পেৰেডত সন্মুখৰ আসনবোৰ ভিভিআইপিৰ বাবে সংৰক্ষিত নকৰি প্ৰথমবাৰৰ বাবে শ্ৰমজীৱী মানুহৰ বাবে সংৰক্ষিত কৰা হৈছিল। ১৪। গুৱাহাটীৰ নন্দিতা দাস আৰু ঢেকীয়াজুলিৰ উত্তম তাঁতী। ১৫। বিজ্ঞানী টমাছ আলভা এডিছনৰ নাম অনুসৰি। ১৬। নিউয়ৰ্ক কছমছ। ১৭। উত্তৰ আমেৰিকাৰ ২০,৩১০ ফুট ওখ মাউণ্ট ডেনালী। ১৮। যাদুঘৰ। এই ঘৰটোত মেছিয়ে ব্যৱহাৰ কৰা বস্তুসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ❖

# কবিতাৰ মহাসমুদ্ৰৰ ঢৌ লেখি

*(কাব্যঋষি নীলমণি ফুকনৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি এই লেখাটো পুনৰ মুদ্ৰিত কৰা হৈছে। লেখাটো অসম জাতীয় বিদ্যালয়ৰ মুখপত্ৰ 'বাখৰ'ত ২০০৫ চনত প্ৰকাশ পাইছিল।)*



'কেৱল মানুহৰেই গান আছে...'—বুলি মানুহৰ ওপৰত বিশ্বাস স্থাপন কৰা ঋষিতুল্য কবি, সমালোচক নীলমণি ফুকন ককাৰ আশ্ৰমসদৃশ ঘৰটোলৈ আমাৰ এধানি এধানি ৰঙিয়াল মনবোৰ লৈ সোমাই গৈছিলোঁ। কথা পাতিছিলোঁ জীৱনৰ হাঁহি-কান্দোনৰ, পোৰা-নোপোৰাৰ। জ্ঞানৰ ভৰত দোঁ-খোৰা মানুহজনে আমাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কথাবোৰৰ উত্তৰ দিছিল মিচিকিয়া হাঁহিৰে, আন্তৰিকতাৰে। বুকু ঠেলি ওলাই আহিছিল প্ৰশ্নৰ জাউৰি আৰু আপ্লুত হৈছিলোঁ অন্তৰ পৰশি যোৱা ভাবৰ অপাৰ বৈচিত্ৰ্যৰে সমৃদ্ধ উত্তৰবোৰত। কাণত বাজি উঠিছিল—

'অৰণ্যত, অৰণ্যৰ ভিতৰত
সাৰেং চৰাইৰ মাত।'

ককাৰ উজাই অহা নাওখনত শৈশৱৰ ভূমিকা সম্পৰ্কে সোধাৰ লগে লগে ককা উৰি গ'ল তেজীমলাৰ পান্‌চৈত উঠি থেৰেজুৰে ভৰি থকা বুৰঞ্জীপ্ৰসিদ্ধ দেৰগাঁৱলৈ। "বৰ এখন বহল সমাজ পাইছিলোঁ, পথাৰৰ দৰেই বহল। কোনো বৈষম্য নাছিল। সকলো সকলোৰে সুখ-দুখৰ সমভাগী আছিল। একেখন পথাৰতে সকলোৱে ৰবাব টেঙাৰ বল লৈ দৌৰা-দৌৰি কৰিছিলোঁ। এই যে ইটোৱে-সিটোৱে গাত গাত খুন্দা খাইছিলোঁ, হাঁহিছিলোঁ, কান্দিছিলোঁ, ঠেহ পাতিছিলোঁ, বাৰীয়ে বাৰীয়ে লাগি থকা আম-জাম-লেটেকু-থেৰেজুৰ টেঙা-নিমখীয়া সোৱাদে সেইবোৰ আৰু মধুৰ কৰি তুলিছিল। সেইবোৰেই আছিল ক্ষুদ্ৰৰ পৰা বহল পৃথিৱীৰ লগত মিলি যোৱাৰ প্ৰশিক্ষণ। বাহিৰত বিভিন্ন লগৰীয়াৰ লগত কৰা মিলা-মিছা আৰু ঘৰখনত পোৱা সাংস্কৃতিক ঐতিহ্যময় পৰিবেশে মোৰ জীৱনৰ ভেটি বান্ধিছে। ঘৰত পাইছিলোঁ বিশ্বাস, উদাৰতা আৰু সকলোৱে প্ৰতি সমান ব্যৱহাৰৰ শিক্ষা। বাহিৰত পাইছিলোঁ পাৰস্পৰিক সহযোগিতা আৰু বুজাবুজিৰ মাদকতা। মোৰ শৈশৱৰ এইকেইটা ভেটিৰ ওপৰতে নিৰ্ভৰ কৰিছে। তাতেই ভৰ দি মোৰ 'জোনটো ওলাই আহিছে'।

"সহজ-সৰল গাঁৱৰ জীৱনে মোক আপ্লুত কৰিছিল। ইমান চেনেহ, ইমান মৰম, ইমান আদৰ। ইমান আন্তৰিকতা যে পোন্ধৰ মিনিটৰ ভিতৰতে গাঁৱৰ সকলোৱে সকলোৰে খবৰ পাই যায়। সকলোৱে অনুভৱ কৰে ইজনে সিজনক। গাঁৱৰ মানুহবোৰে ইমানেই ইজনে সিজনৰ ওপৰত বিশ্বাস ৰাখে যে কোনেও হঠাতে কাকো অপদস্থ কৰিব নোৱাৰে। গতিকে, গাঁৱে মোৰ বুকু জুৰি আছে।"

শিশু এটা কি ভেটিৰ ওপৰত 'মানুহ' হ'ব পাৰে বুলি কৰা আমাৰ প্ৰশ্নৰ উত্তৰত ককা অলপ থৰ লাগি ৰ'ল। হয়তো মনে মনে গুণগুণালে—'বকুলে মেলক পাহি/কৃষ্ণ উপজিব আজি ৰাতি।' "পৰিবেশ বুজিছা—পৰিবেশটো বৰ দৰকাৰী। কেনেকুৱা পৰিবেশত ডাঙৰ হৈছে, কি শিক্ষা পাইছে সেই কথাৰ ওপৰত ভিত্তি কৰি জীৱনৰ মূল ভেটি গঠন হয়। শিশু এটাৰ জীৱনৰ টাৰ্নিং পইণ্ট হ'ল তেৰৰ পৰা চৈধ্য বছৰৰ বয়সখিনি। এইখিনি সময়তে শিশুৰ ভৱিষ্যৎ নিৰ্ণয় হয়"।

"ককা, আপোনাৰ জীৱনত মা-দেউতাৰ প্ৰভাৱ কেনেকুৱা?" "বহুত, বুজিছা বহুত। বৰ ধনী ঘৰ নাছিল। দেউতা আছিল বাগানৰ সৰু চাকৰিয়াল। তিনি টকা দৰমহা পোৱা দেউতাই শেষৰফালে সাতচল্লিছ টকা

দৰমহা পাইছিল। গতিকে সাধাৰণভাৱেই আমাৰ জীৱন পাৰ হৈছিল। মাই খুব কষ্ট কৰি ঘৰখন চলাইছিল। মাই ইংৰাজী নাজানিছিল, কিন্তু শিক্ষিতই আছিল। বৰ সহজ-সৰল আছিল মোৰ মা। সাধাৰণ গাঁৱলীয়া মহিলা যেনেকুৱা হিংসা-কপটতাৰ পৰা উৰ্দ্ধত, সকলোকে নিজৰ সন্তান বুলি ভাবিব পৰা বিধৰ, তেনেকুৱাই আছিল মোৰ মা। মোৰ জীৱনত মোৰ মাৰ প্ৰভাৱ বেছি। দেউতা যে বাহিৰতে থাকিল।"

ককাৰ উত্তৰ শেষ নৌহওঁতেই আমাৰ সদস্য এজনে ফটকৈ সুধিয়ে পেলালে—"ককা আপুনি নিজকে কেনেকৈ সজাইছিলে বাৰু?" অকণমান হাঁহি ককাই ক'লে—"দেৰগাঁৱত সোণাৰু ফুলবোৰ বৰ জকমকীয়াকৈ ফুলিছিল। তদুপৰি দেৰগাঁৱত চাৰিওকাষে বিয়পি থকা বহুতো প্ৰাচীন ভাস্কৰ্য্য আৰু স্থাপত্য শিল্পই মোক আকৰ্ষিত কৰিছিল। সোণাৰু ফুলৰ আৰু প্ৰাচীন কীৰ্তি-চিহ্নবোৰৰ আধিভৌতিক সৌন্দৰ্য্যই মোক অহৰহ টানি আছিল এখন বেলেগ জগতলৈ। মই অনুভৱ কৰিছিলোঁ আৰু এখন অতিন্দ্ৰীয় পৃথিৱীৰ কথা। ইয়াৰ উপৰি মোৰ এটা হবি আছিল—কোনো মহান ব্যক্তিৰ নাম সংগ্ৰহ কৰা। এনেকৈ বহুতো মানুহৰ নামৰ লগতে তেওঁলোকৰ আদৰ্শৰ লগত পৰিচিত হৈছিলোঁ। ক্ৰমান্বয়ে মোৰ মনটো পূৰঠ হৈ আহিবলৈ ধৰিছিল।"

আমি পুনৰ প্ৰশ্নৰ সঁফুৰা মেলিলোঁ।

"ককা, সমাজত পৰিবৰ্তন আহেই। আপোনাৰ সময়ৰ সমাজ আৰু আমাৰ সময়ৰ সমাজ ব্যৱস্থাৰ পাৰ্থক্য ক'ত? এই পৰিবৰ্তন কেনে হোৱা উচিত?" ককাই গম্ভীৰভাৱে উত্তৰ দিলে—"পৰিবৰ্তন আহিবই। পৰিবৰ্তন নহাটো মৃত্যুৰ চিন। কিন্তু সেই পৰিবৰ্তন প্ৰগতিমূলক হ'ব লাগিব, আগলৈ যোৱা হ'ব লাগিব। পিছলৈ যদি উভতি আহিব লাগেই তেনেহ'লে সেইটো কি পৰিবৰ্তন?" আন এজন সদস্যই লগে লগে সুধিলে—"তেন্তে পৰিবৰ্তন মানে নিজস্বতা নাইকিয়া হোৱা নেকি?" "নাই, নহয় নহয়। নিজস্বতা ৰক্ষা কৰাটো নিজৰ কৰ্তব্য। নিজৰ প্ৰতিভা বিকাশ কৰি পৰিবৰ্তন অনাটো সমাজৰ বাবে আদৰণীয়। সংমিশ্ৰণে সভ্যতা-সংস্কৃতি বিশাল কৰিব লাগিব।"—ককাই দৃঢ়তাৰে ক'লে। অলপ ৰৈ ককাই খিৰিকীয়েদি বাহিৰৰ পৃথিৱীখন চাই ল'লে। আমালৈ মূৰ ঘূৰাই কৈ গ'ল—"মই বহল পথাৰত খেলিছিলোঁ। সকলো ফালে মুকলি। ক'তো কেতিয়াও বাধা নাছিল। ওপৰত মুকলি আকাশ আৰু তলত বিশাল পৃথিৱী আমাৰ লগৰীয়া আছিল। কিন্তু আজিকালি কেনিও চাব নোৱাৰি। সকলো ফালে ওখ ওখ অট্টালিকা, ডিচ এণ্টেনা, ওখ ওখ টাৱাৰ ইত্যাদিবোৰে আকাশ ঢাকি থয়। জোন চাব নোৱাৰি। তৰা চাব নোৱাৰি। গতিকে ঘৰৰ ভিতৰতে সোমাই দূৰদৰ্শনৰ কৃপাত বহিঃ বিশ্বৰ জকমকীয়া মন নভৰা বস্তুবোৰ চাই চাই সন্তুষ্ট হ'ব লগে। আমাৰ সময় আৰু তোমালোকৰ সময়ৰ মাজত এয়েই পাৰ্থক্য।" ককাই এটা হুমুনিয়াহ কাঢ়িলে।

"ভাৰতীয় সভ্যতাক বিশ্বায়নে কঁপাব নেকি বাৰু ককা?" বুলি কৰা প্ৰশ্নত অলপ সময় ৰৈ ককাই উত্তৰ দিছিল—"মোৰ বিশ্বাস বিশ্বায়নে ভাৰতীয় সভ্যতাৰ ভেটিক কঁপাব নোৱাৰে। কাৰণ ইয়াৰ পৰিসৰ ব্যাপক আৰু গভীৰ। বহু হাজাৰ বছৰৰ গাম্ভীৰ্য্যৰে গহীন।"

আমাৰ যেন প্ৰশ্নৰ শেষ নাই। হঠাতেই আমাৰ দলটোৰ এগৰাকী সদস্যই সুধি দিলে—"ককা, জীৱনৰ কোনটো স্মৃতিয়ে আপোনাক বেছি আন্দোলিত কৰে?" "সৰুতে লাইব্ৰেৰী পাতিছিলোঁ। চৈধ্য মাইল দূৰৰ গোলাঘাট, যোল্ল মাইল দূৰৰ যোৰহাটৰ 'বৰকটকী এণ্ড কোম্পানী'ৰ পৰা কিতাপ আনিছিলোঁ। গাঁৱৰ মানুহেও বাঁহ আৰু পুৰণা কিতাপেৰে সহায় কৰিছিল। সেই কথাটোৱে মোক আজিও উদ্বেলিত কৰে।"

"কবিতা লিখিবলৈ প্ৰেৰণা পালে ক'ৰ পৰা?" বুলি সোধা আমাৰ প্ৰশ্নত অলপ হাঁহি ককাই ক'লে, "আন্দাজত কবিতা লিখিছিলোঁ—বৰ ভয়ে ভয়ে। ড° হীৰেন গোহাঁয়ে সমালোচনা কৰি বুকুত সাহস জমা কৰি দিলে। তাৰ পাছৰে পৰাই পূৰ্ণ উদ্যমেৰে লিখি আছোঁ। তদুপৰি মহেন্দ্ৰ বৰা আৰু নৱকান্ত বৰুৱাৰ কবিতাৰ দ্বাৰা অনুপ্ৰাণিত হৈছিলোঁ।"

"ভাষা আৰু সমাজৰ সম্পৰ্ক কেনে ধৰণৰ?" বুলি সোধাত ককাই উত্তৰ দিলে—"ভাষা এটাৰ শব্দবোৰ

সমাজ আৰু সংস্কৃতিৰ লগত গভীৰ শিপাৰে সম্পৰ্কিত। গতিকে, শব্দবোৰ হ'ল সমাজ এখনৰ ভাব, প্ৰাণ-প্ৰাচুৰ্য্য আদি সকলোবোৰ কথা প্ৰকাশ কৰাৰ মাধ্যম; সম্পৰ্কও বৰ গভীৰ।"

"তেন্তে সাহিত্যৰ আবেদন কি?"

"সকলো সাহিত্যৰ মূল আবেদন একেই। যিদৰে পৃথিৱীৰ সকলো মানুহৰ তেজ ৰঙা, সাহিত্যৰো মূল বিষয় হ'ল একেই—মানুহ। গতিকে, সকলো সাহিত্যৰ মূল আবেদন মানৱতাবাদ। সাহিত্যই মানুহক এতিয়াও মানুহ কৰি ৰাখিছে। নহ'লে কেতিয়াবাই মানুহৰ জন্তুৰ শাৰীলৈ নামি গ'লহেঁতেন।"

"ককা, অসমীয়া ভাষাৰ উন্নতিত ইংৰাজী ভাষা সমস্যা হোৱা উচিতনে?" "নাই নাই, কোনো এটা ভাষা আন কোনো ভাষাৰ উন্নতিত হেঙাৰ নহয়। অৱশ্যে মাতৃভাষাক ভাল পাবই লাগিব। নহ'লে আমি কি বুলি পৰিচয় দিম?" ককাই এটা এটাকৈ শব্দ উচ্চাৰণ কৰি সমাহিতভাৱে উত্তৰ দিলে আমাৰ প্ৰশ্নটোৰ।

"শিশু সাহিত্য ৰচনা নকৰে নেকি?" "নাই, এইটো জীৱনৰ ডাঙৰ ব্যৰ্থতা বুলি মই স্বীকাৰ কৰিছোঁ। অৱশ্যে শিশু উপযোগী শ্বেক্সপীয়েৰৰ সাহিত্য, কমলা কুঁৱৰী, তেজীমলা, কাচোনমতী ইত্যাদি গল্প পঢ়িলে শিশুৰ মনত যি কঁপনি উঠে মোৰ মনতো এতিয়াও সেই কঁপনি উঠে।" ককাই যেন অলপ হাঁহিলে—বিষাদৰ হাঁহি।

'যুৱ সমাজক উচ্ছৃংখল বুলি কোৱা কথাটো আপুনি মানি লয়নে, ককা?" "মই নাভাবোঁ,তেনেকৈ। ল'ৰাবোৰ আমাৰে, সিহঁত ওপৰৰ পৰা পৰা নাই। সিহঁতক ভাল কৰা, বেয়া কৰা সকলো দায়িত্ব সমাজৰ।"

ককাৰ সকলো কথাই আমাৰ জানিবলৈ মন। গতিকে আন এজন সদস্যই প্ৰশ্ন তুলিলে—"ককা, আপুনি চিত্ৰ-ভাস্কৰ্য্যৰ সমালোচক হিচাপেও প্ৰখ্যাত, লগতে চিত্ৰকৰো। কেনেকৈ এইটো সম্ভৱ হৈছে?"

"চিত্ৰ-ভাস্কৰ্য্য কি মানুহৰ নিভৃত অনুভৱ? মই খুব ভাল সমালোচক বুলি দাবী নকৰোঁ। নেঘেৰিটিঙৰ উৰন্ত অপ্সৰাৰ প্ৰতিমূৰ্তিবিলাকে মোক আকৰ্ষণ কৰিছিল। সেইবোৰৰ ভিতৰত সোমাই থকা বাঙ্ময় প্ৰাণময়তাই মোক আকৰ্ষণ কৰিছিল। সকলো ঠাইতে, সকলোতে শিল্পৰ ৰস আছে, বোধ আছে—কেৱল বিচাৰিব জানিব লাগে।" ককাৰ দুচকুত কিবা এটা অদ্ভুত জিকমিকনি আমি দেখিবলৈ পালোঁ।

"ককা, আমাক কিবা ক'ব নেকি আপুনি?" "ক'বলৈ তেনেকৈ একো নাই। পৰিবৰ্তিত সমাজত তোমালোক নতুন প্ৰতিনিধি। তোমালোকলৈ সকলোৱে আশাৰে চাই আছে—চন্দ্ৰই চাই আছে, সূৰ্য্যই চাই আছে। তৰাবোৰে চাই আছে, সকলোৱে চাই আছে। গতিকে, তোমালোক হ'ব লাগিব যোগ্য প্ৰতিনিধি।"

ককাক এৰি আহিবলৈ মন যোৱা নাছিল। কিন্তু ককা অসুস্থ আৰু লগতে সময়ৰ দুৰ্নিবাৰ গতিৰ কাৰণে আমি আহিবলৈ বাধ্য হৈছিলোঁ—মানুহৰ পৰা মনস্বী হোৱা তাপসজনৰ ওচৰৰ পৰা বুকুত কঢ়িয়াই আনিছিলোঁ মেঘ গম্ভীৰ কণ্ঠৰ আবৃত্তি—

"কত বছৰৰ পিছত আজি এই সন্ধিয়া
অকলে ৰঙা নৈত নামিলোঁ
পানীত জোবোৰা মাৰোঁতে ককিলা মাছ এটাই
ওঁঠত খুঁটিয়ালে

................................................

কত বছৰৰ পিছত আজি এই সন্ধিয়া
অকলে ৰঙা নৈত নামিলো
মোৰ চকুৰ মাজেদি ৰঙা হৈ উৰি গ'ল
দুটা লৰিয়লি চৰাই
পানীৰ তলৰ পৰা ওলোৱা এক অদ্ভুত নিস্তব্ধতাত
ৰঙা হৈ উঠিব নিস্তৰংগ ৰাতি।"

দেৰগাঁৱৰ ধূলিৰে ৰঞ্জিত তাপস ককাৰ আশীৰ্বাদ লৈ পুনৰ অহাৰ প্ৰতিশ্ৰুতিৰে আমি ওলাই আহিলোঁ নতুন প্ৰত্যাশা, অভিনৱ উদ্যম আৰু মানুহ হোৱাৰ সংকল্পেৰে। ❖

(বিদ্যালয়ৰ হৈ সাক্ষাৎগ্ৰহণ কৰিলে—প্ৰেৰণা খনিকৰ, তন্ময় শৰ্মা, অভিলাষা চৌধুৰী, পিনাজ মিৰ্জা, বিমান কলিতা আৰু অমৃতা সভাপণ্ডিতে। সহায় কৰিলে শিক্ষক টিটু গগৈ আৰু মৃগাংক শইকীয়াই।)

# শিক্ষাৰ্থীয়ে অঁকা ছবি আৰু তোলা আলোকচিত্ৰ



অভিৰূপ আকাশ শাণ্ডিল্য, পঞ্চম খ




দীক্ষিতা কাশ্যপ, নৱম ক



ধ্ৰুতিস্মান ডেকা, চতুৰ্থ ঘ



হৃমনজ্যোতি শৰ্মা, পঞ্চম খ



তৃষা ঠাকুৰীয়া, চতুৰ্থ খ


গ'ল্ডেন গেট ব্ৰীজ


হাবাখানা


পেট্ৰাৰ স্থাপত্য